*সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...*

*গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক*

# ৰঙিলী বাৰ্ত্তা


Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, সংখ্যা, ১৯ ভাদ , ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

*RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. Date of Publication- 2026 Rs. 10.00/-*

## বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভৰ দিশে ৰংপুৰ-শিৱসাগৰ




ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ বাবে এক গৌৰৱৰ খবৰ। বিশ্ব ঐতিহ্যৰ স্বীকৃতি লাভৰ দিশে আগবাঢ়িছে প্ৰায় ছশ বছৰ ধৰি শাসনভাৰ চলোৱা আহোম ৰাজবংশৰ ৰাজধানী ৰংপুৰ-শিৱসাগৰে। দেশৰ ৭৩টা সম্ভাব্য স্থানৰ ভিতৰত এইবাৰ অন্যতম হিচাপে ভাৰতৰ তৰফৰ পৰা ইউনেস্ক'ক আনুষ্ঠানিকভাৱে ৰংপুৰ-শিৱসাগৰৰো মনোনয়ন দাখিল কৰা হৈছে। উল্লেখ্য যে এছিয়াৰ প্ৰথমটো পেভিলিয়ন ৰংঘৰ, তলাতল ঘৰ, কাৰেংঘৰ আৰু গোলা ঘৰৰ লগতে শিৱদৌলকে ধৰি সকলো আহোম যুগৰ দেৱালয় আৰু পুখুৰীক সামৰি প্ৰায় *( তিনিপৃষ্ঠাত চাওক)*

## ১৫ শিক্ষাগুৰুক ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা প্ৰদান শিক্ষামন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- শনিবাৰে দেশজুৰি ৬৫ সংখ্যক শিক্ষক দিৱস পালন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যিক কৃতী শিক্ষক বঁটাৰ বাবে মনোনীত ১৫ গৰাকী কৃতী শিক্ষক-শিক্ষয়িত্ৰীক সন্মানিত কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰীদামোদৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত ৰাজ্যৰ উচ্চশিক্ষা আৰু বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত আয়োজিতশিক্ষক দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত বঁটা প্ৰাপকসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয় ।এই অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ১৫গৰাকী কৃতী শিক্ষক-শিক্ষয়িত্ৰীক সন্মানিত কৰাৰ লগতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা স্বায়ত্তশাসিত মৰ্যাদা লাভ কৰা ১২ খন মহাবিদ্যালয়, ১৪ গৰাকী সহযোগী এনচিচি বিষয়া, কাৰিকৰী শিক্ষা সঞ্চালকালয়ৰ অধীনত পেটেণ্ট লাভ কৰা ৪ গৰাকী শিক্ষক আৰু আদৰ্শ বিদ্যালয় সংগঠন, অসমৰ অধীনৰ ৫ গৰাকী শিক্ষকক সম্বৰ্ধনা জ্ঞাপন কৰে। কাৰ্যসূচীত ভাষণ দি শিক্ষামন্ত্ৰীগৰাকীয়ে *( দুই পৃষ্ঠাত চাওক)*

## ৰাজ্যজুৰি অসম আৰক্ষীয়ে চলোৱা অভিযানত ৩৩০ জন প্ৰৱঞ্চকক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি 'শূণ্য সহনশীল' নীতিৰ আধাৰত সমগ্ৰ ৰাজ্যজুৰি প্ৰৱঞ্চকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে তীব্ৰ অভিযান আৰম্ভ কৰিছে ।শনিবাৰে পুৱতি নিশা তিনি বজাৰ পৰা আৰম্ভ হোৱা এই বৃহৎ অভিযানত ৰাজ্যৰ ২৯খন জিলাৰ পৰা প্ৰায় ৩৩০ গৰাকী প্ৰৱঞ্চক আৰক্ষীয়ে আটক কৰিছে। অকল চাকৰিৰ নামত প্ৰৱঞ্চনাৰে ধন সংগ্ৰহ কৰা দালালেই নহয়, অসম আৰক্ষীৰ দীঘলীয়া তালিকাখনত আছে ভুৱা চিকিৎসক-আৰক্ষী-অধিবক্তাৰ পৰা আৰম্ভ কৰি স্বঘোষিত মহিলা নেত্ৰী তথা শাসকীয় বিজেপি দলৰ একাংশ নেতা-কৰ্মীলৈকে। ৰাজ্যজুৰি চলোৱা এই অভিযান সন্দৰ্ভত অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান হৰমিট সিঙে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মাৰ্গদৰ্শনত অসম আৰক্ষীয়ে বিগত *( দুই পৃষ্ঠাত চাওক)*

## বাল্যবিবাহৰ বিৰুদ্ধে অসম চৰকাৰৰ যুদ্ধই পালে ৰাষ্ট্ৰসংঘৰ স্বীকৃতি




ৰঙিলী বাৰ্ত্তাসেৱা- ২৭ নৱেম্বৰ আন্তৰ্জাতিক বাল্য, সময়পূৰ্ব আৰু বলপূৰ্বক বিবাহ বিলুপ্তকৰণ দিৱস ঘোষণা কৰিছে ৰাষ্ট্ৰসংঘই। ৰাষ্ট্ৰসংঘৰ মজিয়াত বাল্য বিবাহ ৰুধৰ বাবে লোৱা সিদ্ধান্তক আদৰণি জনাইছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰসংঘৰ এনে ঘোষণাক লৈ বিগত সময়ছোৱাত অসমত বাল্যবিবাহৰ বিৰুদ্ধে চলোৱা অভিযান তথা যুঁজখনক স্বীকৃতি প্ৰদান কৰা বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই প্ৰসংগত এক্স হেণ্ডেলযোগে লিখিছে-আজি ৰাষ্ট্ৰসংঘয়ো সেই কথা স্বীকাৰ কৰিছে, যি কথা আমি অসমত আমাৰ বিগত কাৰ্যকালৰ পৰাই *( দুই পৃষ্ঠাত চাওক)*

## ভাৰতৰ হাতত ৭ উইকেটত পৰাস্ত পাকিস্তানৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মহিলা এছিয়া কাপত ভাৰতৰ সন্মুখত আত্মসমৰ্পণ পাকিস্তানৰ। ডুবাইত চলি থকা মহিলা এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এৰ মেচখনত হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৰ হাতত নিৰ্লজ্জ আত্মসমৰ্পণ কৰে পাকিস্তানে। মেচখনত ভাৰতীয় দলটোৱে ৭ উইকেটত জয়লাভ কৰি গ্ৰুপত অপৰাজেয়ৰ ধাৰা অব্যাহত ৰাখে। ইতিমধ্যে ছেমিত স্থান নিশ্চিত কৰা ভাৰতে গ্ৰুপৰ তিনিওখন মেচতে বিজয় সাব্যস্ত কৰে। মেচখনত পাকিস্তানে জয়ৰ বাবে বান্ধি দিয়া মাত্ৰ পুছ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি হৰমনপ্ৰীতৰ অপৰাজিত ১৮ আৰু দীপ্তি শৰ্মাৰ অপৰাজিত ১২ ৰানৰ সহায়ত ভাৰতে ৮.৪ অভাৰত তিনিটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। অ'পেনাৰ শেফালী বাৰ্মাই ১২, স্মৃতি মান্ধানাই ৯ আৰু প্ৰতিকা ৰাৱালে ৪ ৰান কৰি *( নপৃষ্ঠাত চাওক)*

## ভূপেশ বাঘেলক প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক নিযুক্তি



ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও লোকসভা উপ-নিৰ্বাচনৰ প্ৰাকক্ষণত ছত্তীশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলক অল ইণ্ডিয়া কংগ্ৰেছ কমিটীয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নতুন তত্ত্বাৱধায়ক হিচাপে নিযুক্তি দিছে। ৫ ছেপ্টেম্বৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে জাৰি কৰা এক প্ৰেছ বিজ্ঞপ্তিযোগে এই সাংগঠনিক ৰেডিকেল সালসলনিৰ কথা ঘোষণা কৰে। পূৰ্বৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিঙৰ স্থানত ভূপেশ বাঘেলক এই দায়িত্ব অৰ্পণ কৰা হৈছে। ইয়াৰ পূৰ্বে বাঘেলে পঞ্জাৱ কংগ্ৰেছৰ তত্ত্বাৱধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি দলীয় সংগঠনক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় নেতৃত্বই তেওঁক এই গুৰুত্বপূৰ্ণ দায়িত্ব দিছে। উল্লেখ্য যে দ্যসমাপ্ত বিধানসভা নিৰ্বাচনত কংগ্ৰেছ *( নপৃষ্ঠাত চাওক)*

# ১৫ শিক্ষাগুৰুক ৰাজ্যিক কৃতী

কয় যে শিক্ষাৰ্থীসকলৰ জ্ঞান, চৰিত্ৰ, নেতৃত্বৰ গুণ, দায়িত্ববোধ আৰু সামাজিক দায়বদ্ধতা বিকশিত কৰাত শিক্ষকসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। একবিংশ শতিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি আধুনিক প্ৰযুক্তি আৰু নৱতম শিক্ষণ পদ্ধতি গ্ৰহণ কৰি শিক্ষাদানৰ মান শিক্ষকসকলে উন্নত কৰিব লাগিব। শিক্ষামন্ত্ৰীৰ স্পষ্ট মন্তব্য- ৰাজ্যৰ শিক্ষক সমাজে প্ৰযুক্তিৰ প্ৰয়োগ ভালদৰে জানিবই লাগিব। এগৰাকী শিক্ষক প্ৰযুক্তিগতভাৱে দক্ষ হ'ব লাগিব। ৰাজ্যৰ প্ৰাথমিক শিক্ষাখণ্ডৰ কথা উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে বিগত সময়ছোৱাত শিক্ষাৰ ক্ষেত্ৰখনত যথেষ্ট সাল-সলনি কৰা হৈছে। প্ৰাথমিক স্তৰৰ পৰা ইতিমধ্যে হেৰাই গৈছে ৫.৫০ লাখ শিক্ষাৰ্থী। এই শিক্ষাৰ্থীসকলক বিদ্যালয়লৈ ওভতাই অনাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। অনগ্ৰসৰতাৰ কাৰণে হওক বা আৰ্থিক দৈন্যৰ বাবেই হওক, আধাতে স্কুল এৰা শিক্ষাৰ্থীৰ সংখ্যা ক্ৰমাৎ ৰাজ্যত হ্ৰাস পাবলৈ ধৰিছে বুলি উল্লেখ কৰি ৰাজ্য চৰকাৰে গ্ৰহণ কৰা একাধিক পদক্ষেপৰ ফলত প্ৰাথমিক স্তৰৰ পৰা হাইস্কুল পৰ্যন্ত ৰাজহুৱা খণ্ডৰ বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা এতিয়া বৃদ্ধি পাইছে। শিক্ষক দিৱসত সম্বৰ্ধনা লাভ কৰা স্বায়ত্তশাসিত মৰ্যাদা লাভকৰা ১২খন মহাবিদ্যালয় হৈছে- কামৰূপৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়, লখিমপুৰৰ লখিমপুৰ বালিকা মহাবিদ্যালয়, কামৰূপ (মহানগৰ)ৰ দিছপুৰ মহাবিদ্যালয়, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়, পাণ্ডু মহাবিদ্যালয়, ধেমাজিৰ মৰিধল মহাবিদ্যালয়, গোৱালপাৰা মহাবিদ্যালয়, বৰপেটাৰ মানৱ চৌধুৰী মহাবিদ্যালয়, যোৰহাটৰ কেন্দ্ৰীয় মহাবিদ্যালয় আৰু গোলাঘাটৰ ডিকেডি মহাবিদ্যালয়। আনহাতে পেটেণ্ট দাখিল কৰি কৃতিত্ব অৰ্জন কৰা অধ্যাপক-অধ্যাপিকাসকল হ'ল- অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ড° নৱজিৎ শইকীয়া, ড° ৰাশি বৰগোহাঁই, যোৰহাট ইনষ্টিটিউট অব ছায়েঞ্চ এণ্ড টেকন'লজীৰ গোলাম ইমৰান হুছেইন আৰু গোলাঘাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ড° পংকজ বৰুৱা। শিক্ষক দিৱসৰ এই কাৰ্যসূচীত মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক ড° তপন দাসৰ লগতে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ আৰচি জৈন, উপাধ্যক্ষ ৰুক্ম গোহাঁই বৰুৱা, শিক্ষা বিভাগৰ আয়ুক্ত সচিব নাৰায়ণ কোঁৱৰ, আদৰ্শ বিদ্যালয় সংগঠন, অসমৰ মিছন সঞ্চালিকা কৃষ্ণা বৰুৱা, মাধ্যমিক শিক্ষা সঞ্চালিকা মমতা হোজাই, উচ্চ শিক্ষা সঞ্চালিকা পমী বৰুৱা, প্ৰাথমিক শিক্ষা সঞ্চালিকা সুৰঞ্জনা সেনাপতি, কাৰিকৰী শিক্ষা সঞ্চালক ধ্ৰুৱজ্যোতি বৰা আৰু এছচিইআৰটিৰ সঞ্চালিকা ড° নিৰদা দেৱী উপস্থিত থাকে।

# বাল্যবিবাহৰ বিৰুদ্ধে অসম

দৃঢ়তাৰে কৰি আহিছোঁ বাল্যবিবাহেই হওক বা জোৰ-জবৰদস্তিৰে কৰোৱা বিবাহ, আমাৰ সমাজত এনে অপৰাধৰ কোনো স্থান নাই। ইয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাটো সময়ৰ দাবী। ২৭ নৱেম্বৰৰ দিনটোত ৰাষ্ট্ৰসংঘই আন্তঃৰাষ্ট্ৰীয় বাল্য, সময়পূৰ্ব আৰু বলপূৰ্বক বিবাহ বৰ্জন দিৱস হিচাপে কৰা ঘোষণাই এই সামাজিক ব্যাধিৰ বিৰুদ্ধে বিশ্বব্যাপী যুঁজখনক আৰু অধিক শক্তিশালী কৰি তুলিছে। অসমে বিগত কেইবছৰত বাল্যবিবাহৰ বিৰুদ্ধে যি দৃঢ় আৰু নিৰ্ভীক অভিযান চলাই আহিছে, তাৰ ফলাফল এতিয়া স্পষ্টভাৱে দৃশ্যমান। বিগত কেইটামান বৰ্ষত বাল্যবিবাহ, বলপূৰ্বক বিবাহৰ বিৰুদ্ধে অসমত ১২ হাজাৰৰো অধিক গোচৰ পঞ্জীয়ন, ১১ হাজাৰৰো অধিক লোক গ্ৰেপ্তাৰ, ২০খন জিলাত বাল্যবিবাহৰ মাত্ৰা ৮১ শতাংশলৈ হ্ৰাস পাইছে, কিশোৰী গৰ্ভাৱস্থাৰ দৰে ঘটনা হ্ৰাস পোৱাৰ বিপৰীতে ৰাজ্যত বৃদ্ধি পাইছে মহিলাৰ উচ্চ শিক্ষাৰ নামভৰ্তিৰ হাৰ। এই পৰিসংখ্যাসমূহো কেৱল সংখ্যাৰ গণ্ডীতে আবদ্ধ কৰিব নোৱাৰি। এয়া হৈছে আমাৰ কন্যাসকলৰ অধিকাৰ সুৰক্ষিত কৰা, তেওঁলোকক শিক্ষাৰ পথলৈ ওভতাই অনা আৰু তেওঁলোকৰ ভৱিষ্যৎ অধিক সুৰক্ষিত কৰাৰ এক দৃঢ় প্ৰমাণ। মুখ্যমন্ত্ৰীয়ে লিখিছে- আশ্চৰ্যজনক কথা, সংযোগপূৰ্ণভাৱে ৰাষ্ট্ৰসংঘৰ এই ঘোষণা অহাৰ পূৰ্বেই আমি ঘোষণা কৰিছিলোঁ যে নৱেম্বৰ মাহটো বাল্যবিবাহ আৰু জোৰ-জবৰদস্তিৰে কৰোৱা বিবাহৰ বিৰুদ্ধে এক আপোচহীন অভিযানৰ মাহ হিচাপে গ্ৰহণ কৰা হ'ব। কোনো অপৰাধীকে ৰেহাই দিয়া নহ'ব আৰু আমাৰ কন্যাসকলৰ ভৱিষ্যৎ ধ্বংস কৰা প্ৰতিগৰাকী অপৰাধীক আইনৰ সন্মুখীন কৰোৱা হ'ব। ৰাষ্ট্ৰসংঘৰ প্ৰসংগৰে তেওঁ লগতে কয়, ৰাষ্ট্ৰসংঘৰ এই ঘোষণাই, দেখুৱাইছে যে অসমৰ প্ৰচেষ্টা কেতিয়াও বেয়া নাছিল । ই আছিল এটা অপৰাধ নিৰ্মূল কৰা যিটো বিশ্বজনীন সমস্যা। বাল্যবিবাহৰ বিৰুদ্ধে অসমৰ যুঁজখনে এক জাতীয় আখ্যানক উজ্জ্বলাই তুলিলে আৰু এতিয়া বিশ্বব্যাপী স্বীকৃতিয়ে অধিক দায়িত্ব প্ৰদান কৰিলে । আমাৰ প্ৰতিশ্ৰুতি অপৰিৱৰ্তিত হৈ আছে, বাল্যবিবাহৰ পৰা মুক্ত এখন সমাজ গঢ়াৰ।

# ৰাজ্যজুৰি অসম আৰক্ষীয়ে

কেইবাদিনো ধৰি এই বিষয়টো বিশ্লেষণ কৰাৰ লগতে সতৰ্ক দৃষ্টি দি আহিছিল। বহু সময়ত আমি মন কৰিছিলোঁ যে একাংশ লোকে থানাৰ ওচৰত সহাৱস্থান কৰি দুখীয়া মানুহক বিভিন্ন ধৰণে প্ৰতাৰণা কৰি আহিছিল। থানাত এজাহাৰ লিখি দিয়াৰ পৰা আৰম্ভ কৰি শীৰ্ষ আৰক্ষী বিষয়াৰ ঘনিষ্ঠ বুলি চিনাকি দি বহু প্ৰৱঞ্চক-দালালে সহজ-সৰল লোকক প্ৰতাৰণা কৰি আহিছে। তেওঁ লগতে কয়, ফোনযোগে নিজকে অধিবক্তা বা জ্যেষ্ঠ আৰক্ষী বিষয়া বুলি পৰিচয় দি ভুৱা বাতৰিৰে সৰ্বসাধাৰণক ভয়-ভীতি প্ৰদৰ্শন কৰি প্ৰৱঞ্চনা কৰি আহিছিল। সেই প্ৰৱঞ্চকসকলৰ বিৰুদ্ধে আজি পুৱা ৩ বজাৰ পৰাই ৰাজ্যৰ প্ৰতিখন জিলাতে ক্ষিপ্ৰ অভিযান চলোৱা হয়। অভিযানত বৰ্তমানলৈ ৩৩০ জন প্ৰৱঞ্চক আৰক্ষীয়ে আটক কৰিছে । আৰক্ষী বিষয়াগৰাকীয়ে কয়, বৰ্তমানো অভিযান অব্যাহত আছে । শদিয়া আৰু মাজুলীৰ বাহিৰে ৰাজ্যৰ বাকী সকলো জিলাতে কম-বেছি পৰিমাণে এই প্ৰৱঞ্চক ধৰা পৰিছে । কোনো জিলাত যদি দুজন, আন কোনো জিলাত ৮-১০ জনকৈ প্ৰৱঞ্চক আৰক্ষীৰ জালত পৰিছে। গুৱাহাটী মহানগৰীৰ পৰাও দুজন প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰা হৈছে তাৰ বিপৰীতে কাছাৰত সৰ্বাধিক প্ৰৱঞ্চক গ্ৰেপ্তাৰ হৈছে । তেওঁ লগতে কয়, প্ৰাথমিক তদন্তত পোহৰলৈ অহা অনুসৰি, এই চক্ৰটোৰ প্ৰায় ৮-১০ গৰাকী প্ৰৱঞ্চক বৰ্তমান অসমৰ বাহিৰত থকাৰ তথ্য পোৱা গৈছে । তেওঁলোকে বৰ্তমান হায়দৰাবাদ আৰু বেংগালুৰুৰ দৰে মহানগৰীত আশ্ৰয় লৈ থকা বুলি তথ্য লাভ কৰিছো। যিহেতু প্ৰতিজন প্ৰৱঞ্চকৰে 'ডিজিটেল ফুটপ্ৰিণ্ট' ৰৈ গৈছে, সেয়েহে আমি বৰ্তমান তেওঁলোকৰ ওপৰত ডিজিটেল পৰ্যবেক্ষণ চলাই থকা হৈছে । অতি শীঘ্ৰেই বহিঃৰাজ্যৰ পৰাও তেওঁলোকক কৰায়ত্ত কৰি অসমলৈ অনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে ।

সম্পাদকীয় শিতান.. দেবাশীষ গোস্বামী, নগাঁও

# সংগদোষ

সংগ বা লগ আমাৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ। জীৱন জীয়াবলৈ আমাক লগ লাগিবই। জন্মৰ পিছতে ওমলিবলৈ, বুজা হোৱাৰে পৰা খেলিবলৈ, মুঠতে নিদ্ৰাদেৱীয়ে নিজৰ কোলালৈ নিয়াৰ আগমূহূৰ্ত লৈকে সংগ বা লগ অবিহনে আমি এটা মূহুৰ্তও কল্পনাই কৰিব নোৱাৰো। এই বিশেষ সময়চোৱাত মূলতঃ মা, দেউতা, দাদা, বা তথা ঘৰখনৰ আন আন সদস্য সকলেই সংগ বা লগ।

সংগদোষৰ অধ্যায় আৰম্ভ হয় সাধাৰণতে বিদ্যালয়ত নাম ভৰ্তি কৰাৰ পিছৰে পৰা। বিভিন্ন চাৰিত্ৰিক বৈশিষ্ট্য লগ পোৱাৰ প্ৰথম স্থান কনেই হ'ল নাম ভৰ্তি কৰা বিদ্যালয়খনৰ মজিয়া। বিভিন্ন জ্ঞান অৰ্জন তথা উৎকৰ্ষ সাধন ৰ বাবে একো একোখন বিদ্যালয়ৰ মজিয়াত আমি ভৰি থওঁ। সম্পূৰ্ণ এক নতুন পৰিবেশত ভৰি থৈ আমিবোৰ পুলকিত হৈ পৰো। নতুন পৰিবেশত খাপ খুৱাই ল'বলৈ কোনো কোনো জনৰ বাবে কিছু সময়ৰ প্ৰয়োজন হয় আৰু কিছু সংখ্যকে তৎক্ষনাতে নিজকে খাপ খুৱাই লয়। দিন বাগৰাৰ লগে লগে 'Friend'অৰ 'List'খনো ডাঙৰ হ'বলৈ ধৰে। 'Friend ' ভেদে চাৰিত্ৰিক বৈশিষ্ট্য ভিন্ন হোৱা হেতুকে প্ৰত্যেকটো চৰিত্ৰই কোমল মনবোৰত ক্ৰিয়া কৰে, দ ছাপ বহুৱাই। ঠিক সেই সময়তে অভিভাৱক তথা শিক্ষাগুৰু সকলৰ গধুৰ দায়িত্ব আহি পৰে নিজৰ নিজৰ সন্তান তথা প্ৰত্যেকজন ছাত্ৰ -ছাত্ৰীৰ ওপৰত সুক্ষ্ম নিৰীক্ষণৰ। যদি অভিভাৱক সকল এই অতি বিশেষ সময়কণত 'Casual' হৈ পৰে, সন্তানৰ মোহত অন্ধ হৈ প্ৰকৃত শাসনৰ পৰা নিজকে বাৰণ কৰে, ভুল ক্ৰতি সমূহ আঙুলিয়াই দি শুদ্ধা-শুদ্ধৰ জ্ঞান নিদি ঢাকি থোৱাৰ চেষ্টা কৰে, তেনে সন্তানেই বিপথে গতি কৰে আৰু 'Friend List' অত থকা নাম সমূহৰ জীৱনতো বিৰূপ প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰে। ভাল বেয়াৰ সংমিশ্ৰণতেই আমাৰ সমাজ, আমাৰ জীৱন। ৰাতি নাথাকিলে দিনৰ মূল্য ক'ত? দুখ নাথাকিলে সুখৰ মূল্য ক'ত? থিক তেনেদৰে বেয়া যদি নাথাকেই ভালৰ মূল্য নিৰূপনৰ মাপ কাঠি একা?

ভাল সংগই আমাৰ জীৱনটো মসৃণ কৰি তোলে। ভাল সংগৰ লগতে আমাৰ বিবেক বিবেচনাৰে লোৱা প্ৰতিটো সিদ্ধান্তই আমাক উজ্জ্বল ভৱিষ্যতৰ দিশে আগুৱাই নিয়ে। আনহাতে লোকচক্ষুৰ আঁৰত বেয়া সংগৰ কোলাত বহি বিষাক্ত বিবেক বিবেচনাৰে লোৱা প্ৰতিটো পদক্ষেপৰ ভৱিষ্যত নিৰ্ঘাত অন্ধকাৰ।

আমাৰ 'Friend List'অৰ বহুতো নাম সময়ৰ কোবাল সোঁতত বিভিন্ন পৰিস্থিতিত হেৰাই যায়। ভাল তথা আৰ্হিৰ উপযুক্ত চৰিত্ৰ বোৰৰ স্মৃতি চিৰ জীৱন লগত কঢ়িয়াই ফুৰো আনহাতে দুষ্ট চৰিত্ৰবোৰলৈ কেৱাহীকেও চাব নিবিচাৰো। এন্ধাৰ কুঠৰী তথা শ্মশানেই তেওঁলোকৰ শেষ পৰিচয় স্থল।

জীৱনৰ বিভিন্ন সময়ত লগ পোৱা 'Friend List' অত অন্তৰ্ভুক্ত হোৱা চৰিত্ৰ সমূহৰ বিশ্লেষণ আমি যদি সঠিক ভাবে কৰিব নোৱাৰিলো, নিজৰ সুন্দৰ ঘৰখনৰ লগতে একোখন সমাজ ধ্বংসৰ মূল কাৰণ হৈ পৰাতো তেনেই স্বাভাবিক 'Self Evaluation' আজিৰ দিনত অতিকৈ প্ৰয়োজন। আপোনাৰ, মোৰ স্বভাৱ চৰিত্ৰ, কৰ্ম কাণ্ডই চাৰিওফালৰ সমাজ খনত কেনেধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিছে, ৰাইজে দিয়া আপোনাৰ, মোৰ 'Certificate' খন Postive নে Negative? আপোনাৰ, মোৰ বিষয়ে ৰাইজে আন দহজনৰ আগত কৰা মন্তব্যই আমাৰ চৰিত্ৰৰ মাপ কাঠী। আমি আমাৰ কৰ্মৰে 'Followers' বঢ়াব পাৰিছোনে? কিমানে আমাক 'Copy' কৰে, লক্ষ্য কৰিছোনে? অহংকাৰত মত্ত হৈ আমি বাৰু আমাৰ 'Near & Dear one' খিনিক 'Ignore' কৰিছো নিকি? আমাৰ জীৱনত এনে কোনো ব্যক্তিয়ে ভুমুকি মাৰিছে নেকি যাৰ প্ৰভাৱত আমাৰ 'Friend List' খনৰ পৰা প্ৰকৃতাৰ্থত ভাল ভাল চৰিত্ৰ আঁতৰি গৈছে অতি সন্তৰ্পণে।

আমক সংগ দিয়া, আমি উঠা বহা কৰা প্ৰতিজন ব্যক্তিৰ আচল চৰিত্ৰৰ যদি মূল্যাংকন সঠিক নহয়, আমাৰ প্ৰত্যেকৰ জীৱনলৈ এনে এটি মূহুৰ্ত আহিব যে পিছলৈ ঘুৰি চালে দূৰ দিগন্তলৈ এটা নৰ মনিষ দেখা নাপাম।

সংগদোষৰ পৰা পৰিত্ৰানৰ একমাত্ৰ উপায় হল 'Friend list' বনাওতে চালনিৰ ব্যৱহাৰ, চালনিৰে চালি যদি 'Friend list' নবনাও, বিপদ তথা ধ্বংস অনিৰ্বাযা।

# দেশৰ প্ৰথমটো আৰ্থ ইমেজিং ছেটেলাইট ইঅ'এছ-০৫ সফলতাৰে উৎক্ষেপণ



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰ মহাকাশ গৱেষণা সংস্থাই শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা দেশৰ প্ৰথম 'ইমেজিং ছেটেলাইট' ইঅ' এছ-০৫ পৃথিৱী পৰ্যবেক্ষণ উপগ্ৰহ সফলতাৰে উৎক্ষেপণ কৰি ভাৰতৰ মহাকাশ অন্বেষণ কাৰ্যসূচীত আন এক ডাঙৰ মাইলৰ খুঁটি স্থাপন কৰে। বৃহস্পতিবাৰে পুৱতি নিশা ২.৫৫ বজাত শ্ৰীহৰিকোটাৰ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা জিএছএলভি-এফ ১৭ ৰকেটৰ জৰিয়তে মহাকাশলৈ প্ৰেৰণ কৰা হয় এই কৃত্ৰিম উপগ্ৰহটো। শুকুৰবাৰে পুৱা ইছৰ'ৱে জনোৱা মতে জিএছএলভি-এফ১৭ ৰকেটৰ জৰিয়তে সফলভাৱে পূৰ্ব নিৰ্ধাৰিত 'ছাব-জিঅ'ছিংক্ৰ'নাছ ট্ৰেন্সফাৰ অৰবিট'ত স্থাপন হৈছে জিছেট-ৰএ। ইছৰ'ৰ সঞ্চালক ভি নাৰায়ণনে এই সন্দৰ্ভত কয়- 'অতি আনন্দেৰে জনাওঁ যে জিএছএলভি-এফৰজ্জৰকেটে অত্যাধুনিক আৰ্থ অবজাৰেভেচন ছেটেলাইট বা ভাৰতৰ প্ৰথমটো জিঅ'ছিংক্ৰ'নাছ-অৰবিট (দহ পৃষ্ঠাত চাওক)


# শিক্ষামন্ত্ৰীৰ উপস্থিতিত ৬ প্ৰতিষ্ঠানৰে বুজাবুজি চুক্তি স্বাক্ষৰ সমগ্ৰ শিক্ষাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ভৱিষ্যতৰ প্ৰত্যাহ্বানৰ বাবে সাজু শিক্ষা ব্যৱস্থা গঢ়াৰ বাবে অসম চৰকাৰে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। অসমৰ বিদ্যালয় শিক্ষাখণ্ডত কৃত্ৰিম বুদ্ধিমত্তা (এআই), প্ৰযুক্তি আৰু অভিনৱ শিক্ষা সমাধানৰ ব্যৱহাৰ আগুৱাই নিয়াৰ লক্ষ্যৰে ৬টাকৈ আগশাৰীৰ সংস্থাৰ সৈতে বুজাবুজি চুক্তি সম্পাদন কৰিলে সমগ্ৰ শিক্ষা অভিযান (এছএছএ)-এ। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত সমগ্ৰ শিক্ষাৰ ৰাজ্যিক মিছন কাৰ্যালয়ত সম্পন্ন হোৱা এই চুক্তিৰ ৬টা প্ৰগতিশীল প্ৰতিষ্ঠান হ'ল- গুগল এআই, আইআইটি মাদ্ৰাজ, এলইএছএইচ, এডুকেটেড গাৰ্লছ, একষ্টেপ-এক্সএল আৰু কেনভা এডুকেচন। এই চুক্তি অনুসৰি অংশীদাৰিত্ব লাভ কৰা প্ৰতিষ্ঠানসমূহে শিক্ষকৰ দক্ষতা শক্তিশালী কৰাৰ লগতে মৌলিক শিক্ষণ উন্নত কৰা, মূল্যায়ন ব্যৱস্থা বৃদ্ধি কৰা, ডিজিটেল সৃষ্টিশীলতা আৰু উদ্ভাৱন প্ৰসাৰ কৰিবলৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে পাঠদান কৰিব। মুখ্যতঃ কৃত্ৰিম বুদ্ধিমত্তা, প্ৰযুক্তি আৰু উদ্ভাৱনৰ সম্ভাৱনীয়তাক আগত লৈ বিদ্যালয় শিক্ষা সবল কৰি তুলিবলৈ এই আগশাৰীৰ প্ৰতিষ্ঠানসমূহে কৰ্মৰত হ'ব। বুজাবুজি চুক্তিত স্বাক্ষৰ কৰা গুগল এআই-এ শিক্ষকসকলক এআইচালিত শৈক্ষিক সঁজুলি, ডিজিটেল দক্ষতা আৰু পেছাদাৰী বিকাশৰ দ্বাৰা সবলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। গুগল এআইৰ সৈতে অংশীদাৰিত্বৰ লক্ষ্য হৈছে অসমৰ শিক্ষকসকলক ডিজিটেল পৰিচয় আৰু নোট বুককে ধৰি (দহ পৃষ্ঠাত চাওক)

# অসম ৰাজ্যিক পৰিবহণ-পণ্যগাৰ নিগমৰ কাম-কাজ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোকসেৱা ভৱনত অসম ৰাজ্যিক পৰিবহণ নিগম আৰু অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ কাম-কাজৰ পৰ্যালোচনা কৰে আৰু দুয়োটা ৰাজ্যিক সংস্থাক অধিক দক্ষ, আৰ্থিকভাৱে বহনক্ষম আৰু বৰ্তমানৰ প্ৰয়োজনীয়তাৰ প্ৰতি সঁহাৰি জনাব পৰা কৰি তুলিব পৰাকৈ ইয়াৰ আধুনিকীকৰণ, সম্পত্তিৰ সৰ্বোত্তম ব্যৱহাৰ, ব্যৱসায়ৰ বৈচিত্ৰ্যকৰণ আৰু ৰাজহ বৃদ্ধিৰ দিশত নতুনকৈ প্ৰয়াস কৰিবলৈ তেওঁ আহ্বান জনায়। অসম ৰাজ্যিক পৰিবহণ নিগমৰ বৰ্তমানৰ অৱস্থাৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াৰ বিষয়া-কৰ্মচাৰীৰ সংখ্যা, বাহনৰ সংখ্যা, সম্পত্তিসমূহ, সেইবোৰৰ ব্যৱহাৰ, বিত্তীয় অৱস্থা, ৰাজহৰ উৎস আৰু নিগমটোক শক্তিশালী তথা আধুনিকী-কৰণৰ বাবে ভৱিষ্যতৰ পদক্ষেপকে ধৰি মূল পৰিচালনামূলক আৰু বিত্তীয় দিশসমূহৰ বিতং বুজ লয়। পৰিবহণ মন্ত্ৰী চৰণ বড়োও উপস্থিত থকা এই বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই পৰিবহণ নিগম কৰ্তৃপক্ষক নিগমটো যাতে আৰ্থিকভাৱে অধিক সবল আৰু আত্মনিৰ্ভৰশীল হৈ উঠে তাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ বিকাশ আৰু ব্যৱসায় বৈচিত্ৰ্যকৰণৰ নতুন পথ অন্বেষণ কৰিবলৈ আহ্বান জনায়। তেওঁ নিগমৰ ব্যৱসায়িক কাৰ্যকলাপৰ বৈচিত্ৰ্যকৰণ আৰু নতুন ব্যৱসায়িক দিশ অন্বেষণ কৰা, নিগমৰ হাতত



সম্পত্তিৰ মালিকানা বৰ্তাই ৰাখি বৰ্তমানৰ সম্পত্তিসমূহৰ পৰা ধন উপাৰ্জন কৰা, কৰ্প'ৰেট প্ৰতিষ্ঠান আৰু অন্যান্য সংস্থাসমূহলৈ নিগমৰ বাহন আৰু পৰিবহণ সেৱা আগবঢ়োৱাকে ধৰি কৰ্প'ৰেট ব্যৱসায়ৰ সুযোগ সম্প্ৰসাৰণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে পৰিবহণ নিগম কৰ্তৃপক্ষক ৰাজহ সৃষ্টিকাৰী কাৰ্যকলাপ বৃদ্ধি কৰিবলৈ আৰু বৰ্তমানৰ সম্পদসমূহৰ অধিক কাৰ্যক্ষম ব্যৱহাৰ নিশ্চিত কৰাৰ লগতে নিগমৰ দীৰ্ঘম্যাদী বিত্তীয় বহনক্ষমতা শক্তিশালী কৰাৰ বাবে উদ্ভাৱনীমূলক পথ চিনাক্ত কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে অসম ৰাজ্যিক পৰিবহণ নিগমৰ এক দক্ষ, আধুনিক আৰু আৰ্থিকভাৱে বহনক্ষম ৰাজহুৱা পৰিবহণ সংস্থা হিচাপে আত্মপ্ৰকাশ কৰাৰ অপৰিসীম সম্ভাৱনা আছে। তেওঁ গুৰুত্ব আৰোপ কৰে যে নিগমটোৱে নতুন লক্ষ্য আৰু গতিৰে আগবাঢ়ি যাবলৈ উদ্ভাৱন, বৈচিত্ৰ্যকৰণ আৰু ইয়াৰ বৰ্তমানৰ শক্তিৰ সম্ভাৱনীয়তাক ( চাৰিপৃষ্ঠাত চাওক)

# বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি

৫০০ ঐতিহাসিক থলীক সামৰি বিশ্ব ঐতিহ্যক্ষেত্ৰ হ'বলৈ গৈ আছে শিৱসাগৰ। সামাজিক মাধ্যমযোগে এই খবৰ জনাইছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত লিখিছে, অসমৰ ইতিহাস আৰু ঐতিহ্যৰ বাবে আজিৰ দিনটো এক গৌৰৱৰ দিন। প্ৰায় ছশ বছৰ ধৰি ব্ৰহ্মপুত্ৰ উপত্যকাত নিৰৱধি শাসনভাৰ চলোৱা আহোম ৰাজবংশৰ ৰাজধানী ৰংপুৰ-শিৱসাগৰ এতিয়া বিশ্ব ঐতিহ্যৰ স্বীকৃতি লাভৰ দিশে এখোজ আগবাঢ়িছে। ১৯ জুন ২০২৬ত ভাৰতৰ তৰফৰ পৰা এই ঐতিহাসিক ক্ষেত্ৰক বিশ্ব ঐতিহ্যৰ মৰ্যাদাৰ বাবে আনুষ্ঠানিকভাৱে মনোনয়ন দাখিল কৰা হৈছে। ৰংঘৰ, কাৰেংঘৰ, দৌল, পুখুৰী আৰু আহোমসকলৰ অনন্য স্থাপত্য কাৰু-কৌশলৰ অমূল্য নিদৰ্শনেৰে সমৃদ্ধ এই ভূমি কেৱল অসমৰ নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ বাবেই গৌৰৱ। ২০২৪ চনত চৰাইদেউৰ মৈদামে লাভ কৰা বিশ্ব ঐতিহ্যৰ স্বীকৃতিৰ পাছত ৰংপুৰ-শিৱসাগৰক লৈ এই পদক্ষেপে আহোম সভ্যতাৰ গৌৰৱগাথাক বিশ্বৰ সন্মুখত আৰু অধিক উজলাই তুলিব। চৰাইদেউত আহোম ৰাজবংশৰ স্মৃতি, শিৱসাগৰত তেওঁলোকৰ শাসনৰ গৌৰৱ- দুয়ো মিলি সমৃদ্ধ কৰি আহিছে অসমৰ আহোম ইতিহাসৰ মহাগাথা। অসমৰ ঐতিহ্যক বিশ্বৰ বুকুত সগৌৰৱে প্ৰতিষ্ঠা কৰাৰ এই ঐতিহাসিক প্ৰচেষ্টাৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়ালৈ অসমৰ জনসাধাৰণৰ হৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

# ডিব্ৰুগড়ৰ নিৰেণ ফুকনলৈ ক্ৰীড়া দিৱসত বৰ্ষশ্ৰেষ্ঠ শাৰীৰিক প্ৰশিক্ষকৰ সন্মান



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ যুৱ আৰু ক্ৰীড়া সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ সৰু সজাইত অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামত উৎসৰ্গিত ৰাজ্যিক ক্ৰীড়া দিৱস উপলক্ষে অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ডিব্ৰুগড়ৰ ক্ৰীড়া ক্ষেত্ৰলৈ আহিল এক উল্লেখযোগ্য সন্মান। ডিব্ৰুগড় জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ শাৰীৰিক প্ৰশিক্ষক তথা সদৌ অসম কাৰাটে সন্থাৰ যুটীয়া সম্পাদক আৰু ডিব্ৰুগড় জিলা কাৰাটে সন্থাৰ সভাপতি নিৰেণ ফুকনক 'বৰ্ষশ্ৰেষ্ঠ শাৰীৰিক প্ৰশিক্ষক ২০২৬-২৭' হিচাপে সন্মানিত কৰা হয়। ক্ৰীড়া ক্ষেত্ৰখনলৈ আগবঢ়োৱা নিৰলস সেৱা, খেলুৱৈসকলক প্ৰশিক্ষণ প্ৰদানৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদান আৰু ক্ৰীড়াৰ প্ৰতি থকা নিষ্ঠাৰ স্বীকৃতি হিচাপে নিৰেণ ফুকনক এই সন্মান প্ৰদান কৰা হয়। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম চৰকাৰৰ ক্ৰীড়া মন্ত্ৰী বিশ্বজিত দৈমাৰীকে ধৰি ক্ৰীড়া বিভাগৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। নিৰেণ (দহ পৃষ্ঠাত চাওক)

# অসম আৰক্ষীত নতুনকৈ গঠন হ'ব দুটা বেটেলিয়ন




ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা ৰাজ্যৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ দুদিনীয়া সন্মিলনৰ বৃহস্পতিবাৰে সামৰণি পৰে। ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি অধিক শক্তিশালী কৰা, অপৰাধ নিয়ন্ত্ৰণ তথা অপৰাধৰ অনুসন্ধান অধিক ফলপ্ৰসু কৰা আৰু নাগৰিকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লক্ষ্যৰে অনুষ্ঠিত এই সন্মিলনত অসম আৰক্ষীৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত বিস্তৃত আৰু ফলপ্ৰসু আলোচনা কৰা হয়। সন্মিলনৰ সামৰণিত সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি অধিক শক্তিশালী কৰাৰ লগতে অপৰাধ হ্ৰাস কৰাৰ বাবে সন্মিলনত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে, যিকোনো পৰিস্থিতিত আইন-শৃংখলা পৰিস্থিতিৰ অৱনতি ৰোধ কৰিবলৈ সময়োপযোগী সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব আৰক্ষীয়ে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ( নপৃষ্ঠাত চাওক)

# ৰাইজৰ দলৰে মিত্ৰতা ভংগ প্ৰদেশ কংগ্ৰেছৰ




ৰঙিলী বাৰ্তাসেৱা- অৱশেষত ৰাইজৰ দলৰে মিত্ৰতা ভংগ কৰিলে কংগ্ৰেছে। বৃহস্পতিবাৰে ৰাইজৰ দলৰ সৈতে থকা সকলোধৰণৰ আনুষ্ঠানিক মিত্ৰতা ভংগ কৰাৰ কথা ঘোষণা কৰিলে প্ৰদেশ কংগ্ৰেছে। গুৱাহাটীৰ ৰাজীৱ ভৱনত এক সংবাদ মেল সম্বোধন কৰি অখিল গগৈৰ বিৰুদ্ধে সৰৱ হৈ পৰিল কংগ্ৰেছ নেতৃত্ব। কংগ্ৰেছ নেতা ৰিপুণ বৰা, ৰকিবুল হুছেইন, মীৰা বৰঠাকুৰৰ স্পষ্ট মন্তব্য-কংগ্ৰেছৰ ভোটেৰে বিধায়ক হোৱা অখিল গগৈয়ে পদত্যাগ কৰি নতুনকৈ নিৰ্বাচনৰ সন্মুখীন হওক। ইমান লেতেৰা পাৰ্টীৰ সমৰ্থন লৈ তুমি বিধায়ক হৈছা, অসমৰ ৰাইজক ক্ষমা খুজি পদত্যাগ কৰা। ৰাইজ মোৰ ভুল হৈ গ'ল বুলি ক্ষমা খোজা। মিত্ৰতাৰ সকলো নিয়ম জলাঞ্জলি দিয়াৰ অভিযোগ তুলি ৰিপুণ বৰাই কয়- ৰাইজৰ দলৰ সৈতে যি মিত্ৰতা আছিল, সেয়া ভংগ কৰি আমি বোজামুক্ত হ'লোঁ। অখিল গগৈ আমাৰ বাবে এক বেজা আছিল। এই বোজা আঁতৰি যোৱাত আমি সুখী। কংগ্ৰেছৰ দলৰ এই সিদ্ধান্ত যথেষ্ট শুদ্ধ। আমাৰ লগতে থাকি বুকুতে যেতিয়া কামুৰিব, ফেঁটী সাপক যদি আমি গাখীৰ খুৱাই খুৱাই পুহি থাকোঁ, সেয়া আমাৰ বাবে কিমান বিপজ্জনক হ'ব। উল্লেখ্য যে প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা লোকসভাত বিৰোধী দলৰ উপ-দলপতি গৌৰৱ ( দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয়ত ৰেডক্ৰছ ছ'চাইটিৰ সজাগতা সভা আৰু স্বেচ্ছামূলক ৰক্তদান শিবিৰ সম্পন্ন




ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয় প্ৰাংগণত আজি ৰক্তদানৰ সজাগতা সভা আৰু স্বেচ্ছামূলক ৰক্তদান শিবিৰ ডিব্ৰু মহাবিদ্যালয় আৰু ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ উদ্যোগত লগতে অসম চিকিৎসা মহাবিদ্যালয়ৰ ৰক্ত সঞ্চয় বিভাগৰ সহযোগত আয়োজন কৰা হয়। ছাত্ৰ-ছাত্ৰী মাজত স্বেচ্ছামূলক ৰক্তদানৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টি কৰা আৰু মানৱ সেৱাৰ মানসিকতা গঢ়ি তোলাই এই কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল। সজাগতা সভাৰ আৰম্ভণিতে সমন্বয়ক বিষয়া (নডেল অফিচাৰ)ডাঃ কৰুণা চামৰিয়াই উপস্থিত সকলোকে শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ যুৱ প্ৰজন্মৰ মাজত ৰক্তদান সম্পৰ্কে সজাগতা সৃষ্টিৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক এই মানৱীয় কাৰ্যৰ সৈতে জড়িত হ'বলৈ অনুৰোধ কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ ৰঞ্জন চাংমাই সকলোকে আদৰণি জনায় আৰু এই মহান কাৰ্যত ব্ৰতী হোৱাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। ডিব্ৰুগড় ৰেডক্ৰছ ছ'চাইটিৰ সভাপতি ডাঃ পঙ্কজ কুমাৰ শ্ৰুতিকৰে তেওঁৰঞ্জ বক্তব্যত কয় যে ৰক্তদান মানৱীয় সেৱাৰ অন্যতম সহজ অথচ অতি মূল্যৱান কাৰ্য। তেওঁ উল্লেখ কৰে যে ৰক্ত কৃত্ৰিমভাৱে প্ৰস্তুত কৰিব ( দহ পৃষ্ঠাত চাওক)

# বিটিচি উপ-নিৰ্বাচনত আসন বুজাবুজি হ'ব বিজেপি-বিপিএফৰ



ৰঙিলী বাৰ্তাসেৱা- আগন্তুক বিটিচি উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি বড়োলেণ্ডত ৰাজনৈতিক তৎপৰতা তুংগত উঠিছে। বড়োলেণ্ড পিপলছ ফ্ৰণ্ট (BPF) দলৰ মুৰব্বী তথা বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে মিত্ৰজোঁটৰ সহযোগী দলসমূহৰ সৈতে আসন বুজাবুজি বা আসন ভাগ-বতৰা কৰি নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ কথা ঘোষণা কৰিছে। বাক্সা জিলাৰ মুছলপুৰস্থিত জিলা সাংস্কৃতিক প্ৰকল্প প্ৰেক্ষাগৃহত বিজেপি আৰু বিপিএফৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিটিচি অঞ্চলৰ সামগ্ৰিক উন্নয়ন আৰু বিভিন্ন চৰকাৰী আঁচনিসমূহ দুয়োটা মিত্ৰদলে আলোচনাৰ জৰিয়তে ৰাইজৰ ওচৰলৈ নিয়াৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। সংবাদ মাধ্যমৰ সন্মুখত বিটিচিৰ মুখ্য কাৰ্যবাহী ( দহ পৃষ্ঠাত চাওক)

# জিৰিবামত ৮০ কোটি টকাৰ ব্ৰাউন চুগাৰ জব্দ



ৰঙিলী বাৰ্তাসেৱা- কাছাৰ সীমান্তৱৰ্তী মণিপুৰৰ জিৰিবামত অসম ৰাইফলছ, চিআৰপি আৰু মণিপুৰ আৰক্ষীয়ে যুটীয়া অভিযান চলাই বুজন পৰিমাণৰ নিষিদ্ধ ব্ৰাউন চুগাৰ জব্দ কৰিছে। প্ৰাপ্ত বাতৰি মতে গোপন তথ্যৰ ভিত্তিত জিৰিবামৰ জেটি ৰোডৰ গাতে লাগি থকা মাখা বস্তি এলেকাত এখন ট্ৰাকত তালাচী চলাই নিৰাপত্তা বাহিনীয়ে ১০ টা ব্ৰাউন চুগাৰৰ পেকেট জব্দ কৰে। জব্দ কৰা ব্ৰাউন চুগাৰ খিনিৰ ওজন ১০কেজি ৮৯১ গ্ৰাম আৰু ইয়াৰ মূল্য প্ৰায় ৮০ কোটি টকা বুলি সদৰী কৰিছে অসম ৰাইফলছে। এই অভিযানত নগদ ১৫০০ টকা আৰু এটা ম'বাইল ফোনো উদ্ধাৰ কৰা হৈছে। নিচাজাতীয় সামগ্ৰী সৰবৰাহৰ অভিযোগত ট্ৰাকৰ চালক জনক গ্ৰেপ্তাৰ কৰা হৈছে। পিছত ধৃত ব্যক্তিজনৰ লগতে উদ্ধাৰ হোৱা সামগ্ৰীসমূহ অধিক তদন্ত আৰু আইনী প্ৰক্ৰিয়াৰ বাবে আৰক্ষীক গতাই দিয়ে। পিছত জব্দ কৰা ব্ৰাউন চুগাৰ আৰু ধৃত ব্যক্তি জনক জিৰিবাম থানাত গতাই দিয়া হয়।

# অসম ৰাজ্যিক পৰিবহণ

উপযুক্ত ৰূপত কামত লগাব লাগিব। লোকসেৱা ভৱনত অনুষ্ঠিত আন এখন বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ কাম-কাজৰ পৰ্যালোচনা কৰে আৰু ৰাজ্যজুৰি থকা ইয়াৰ গুদাম বা পণ্যাগাৰসমূহৰ আন্তঃগাঁথনি আৰু বৰ্তমানৰ অৱস্থাৰ বুজ লয়। তেওঁ নিগমৰ বৰ্তমানৰ গুদাম আৰু শীতলীকৰণ ভঁৰালসমূহৰ ক্ষমতা, এইসমূহৰ অৱস্থা আৰু ব্যৱহাৰ, আন্তঃগাঁথনিৰ অভাৱ, পৰিচালনগত প্ৰত্যাহ্বান আৰু বৰ্তমানৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ সেৱাসমূহ শক্তিশালী কৰাৰ সুযোগৰ পৰ্যালোচনা কৰে। উল্লেখ্য যে বৰ্তমান অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ সমগ্ৰ ৰাজ্যতে মুঠ ২.৬ৰ লাখ মেট্ৰিকটন সামগ্ৰী মজুত ৰখাৰ ক্ষমতা আছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই পণ্যাগাৰ নিগমক আধুনিক গুদামঘৰৰ মান মানি চলাৰ লগতে ক্ষমতা, দক্ষতা, আন্তঃগাঁথনিৰ মান উন্নত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ইয়াৰ গুদাম আৰু শীতলীকৰণ ভঁৰালসমূহৰ উপযুক্ত মেৰামতি আৰু উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। কৃষি সামগ্ৰী সুৰক্ষিত কৰা, শস্য চপোৱাৰ পিছত হোৱা ক্ষতি হ্ৰাস কৰা আৰু অসমৰ যোগান শৃংখলৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে এক শক্তিশালী আৰু আধুনিক পণ্যাগাৰ নেটৱৰ্ক অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে নিগমৰ আন্তঃগাঁথনিক অধিক প্ৰতিযোগিতামূলক আৰু নতুন প্ৰয়োজনীয়তাৰ প্ৰতি সঁহাৰি জনাব পৰা কৰি তোলাৰ উদ্দেশ্যে একাগ্ৰতাৰে প্ৰয়াস কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে নিগমৰ সমস্যাপূৰ্ণ বিষয়সমূহ সমাধানৰ ক্ষেত্ৰত সকলো প্ৰয়োজনীয় চৰকাৰী সাহায্যৰ আশ্বাস দিয়ে আৰু অসমৰ বাবে এক আধুনিক, দক্ষ আৰু ভৱিষ্যতৰ বাবে প্ৰস্তুত পণ্যাগাৰ ব্যৱস্থা গঢ়ি তোলাৰ দিশত নতুন লক্ষ্যৰে কাম কৰিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। এই বৈঠক দুখনত মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব ড° কে কে দ্বিবেদী আৰু অসম ৰাজ্যিক পৰিবহণ নিগম তথা অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

# লাচিত বৰফুকন পুলিচ একাডেমীত দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ




ৰঙিলী বাৰ্তাসেৱা- বুধবাৰে দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত অনুষ্ঠিত হয় অসম আৰক্ষীৰ দীক্ষান্ত সমাৰোহ। দীক্ষান্ত সমাৰোহত ৩২ গৰাকী উপ-আৰক্ষী অধীক্ষক আৰু ৩৭১ গৰাকী আৰক্ষী কনিষ্টবলে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ইউনিফৰ্ম পৰিহিত সেৱাৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিৰ বাবে দীক্ষান্ত সমাৰোহ হৈছে তেওঁলোকৰ জীৱনৰ অতি স্মৰণীয় মুহূৰ্ত। জীৱনৰ শেষ দিনটোলৈকে ইউনিফৰ্ম পৰিধান কৰা ব্যক্তিসকলে এনে সমাৰোহৰ গৌৰৱময় ক্ষণটো সোঁৱৰণ কৰে। সৰ্বমুঠ ৪০৭গৰাকী নৱপ্ৰশিক্ষিত বিষয়া আৰু জোৱানে আজিৰ এই দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰিছে। ইয়াৰে উপ-আৰক্ষী অধীক্ষকসকলে সফলতাৰে ৫২ সপ্তাহৰ বুনিয়াদী প্ৰশিক্ষণ সম্পূৰ্ণ কৰিছে। এই প্ৰশিক্ষণকালত উপ-আৰক্ষী অধীক্ষকসকলে লাচিত বৰফুকন পুলিচ একাডেমীত দুসপ্তাহৰ 'অৰিয়েণ্টচন' আৰু মেঘালয়ৰ 'নেপা'ত দুমাহৰ প্ৰশিক্ষণতো অংশগ্ৰহণ কৰিছে। এই প্ৰশিক্ষণকালত তেওঁলোকে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ভাৰতীয় সাক্ষ্য অধিনিয়ম, পকছো আইন, অস্ত্ৰ আইন, এনডিপিএছ, চাইবাৰ অপৰাধ, ফৰেনছিক বিজ্ঞান আৰু শিশু সুৰক্ষাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ত জ্ঞান অৰ্জন কৰিছে। তদুপৰি তেওঁলোকে অসম আৰক্ষী সেৱা সেতুৰ দৰে ডিজিটেল প্লেটফৰ্মৰ ব্যৱহাৰৰ উপৰি অস্ত্ৰচালনা, ঘোঁৰাচালনাকে ধৰি বিভিন্ন প্ৰশিক্ষণো গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে যোগাযোগ শাখাৰ কনিষ্টবলসকলে হাউলীৰ দ্বিতীয় অসম আৰক্ষী বেটেলিয়ন আৰু ২৮নং অসম আৰক্ষী বেটেলিয়নত সফলতাৰে বিশ সপ্তাহৰ বুনিয়াদী প্ৰশিক্ষণকালত আৰক্ষীৰ যোগাযোগ ব্যৱস্থা আধুনিক ডিজিটেল যোগাযোগ সঁজুলি আৰু চাইবাৰ নিৰাপত্তাৰ বিষয়ে বিশেষ প্ৰশিক্ষণ লাভ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- 'মই নিশ্চিত যে লাচিত বৰফুকন পুলিচ একাডেমী আৰু বিভিন্ন স্থানত লাভ কৰা বিস্তৃত প্ৰশিক্ষণে আৰক্ষী বিষয়া আৰু জোৱানসকলক আধুনিক, প্ৰযুক্তিগতভাৱে সু-সজ্জিত, পেছাদাৰীভাৱে দক্ষ আৰু জনমুখী আৰক্ষী হিচাপে গঢ়ি তুলিছে, যিয়ে তেওঁলোকক আভ্যন্তৰীণ নিৰাপত্তাৰ সকলো প্ৰত্যাহ্বানৰ সৈতে সফলতাৰে মোকাবিলা কৰাত সহায় কৰিব। আমি ( নপৃষ্ঠাত চাওক)

# জুবিন গাৰ্গ হত্যা গোচৰত ছিংগাপুৰৰ প্ৰথমজন প্ৰবাসী অসমীয়া পৰীক্ষিত শৰ্মাৰ সাক্ষ্যদান



ৰঙিলী বাৰ্তাসেৱা- বুধবাৰে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া অব্যাহত থকাৰ মাজতে ফাষ্টট্ৰেক আদালতত সাক্ষ্যদান কৰিলে ছিংগাপুৰৰ প্ৰবাসী অসমীয়া পৰীক্ষিত শৰ্মাই। জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত যাটত থকা বৰ প্ৰবাসী অসমীয়াৰ ভিতৰত এইগৰাকী পৰীক্ষিত শৰ্মা জুবিন গাৰ্গৰ সৈতে আছিল আৰু প্ৰথমগৰাকী প্ৰবাসী অসমীয়াৰ ভিতৰত তেওঁ ফাষ্টট্ৰেক আদালতত সাক্ষ্য প্ৰদান কৰে। বুধবাৰে পুৱা ৰস্তু স্তু বজাত পৰীক্ষিত শৰ্মাই ফাষ্টট্ৰেক আদালতত উপস্থিত হৈ নিজৰ সাক্ষ্য প্ৰদান কৰে। উল্লেখ কৰিব পাৰি যে জুবিন গাৰ্গৰ হত্যা গোচৰৰ তদন্ত কৰি থকা অসম আৰক্ষীৰ এছআইটিয়ে খুব সংগোপনে পৰীক্ষিত শৰ্মাক ফাষ্টট্ৰেক আদালতত সাক্ষ্য প্ৰদানৰ বাবে উপস্থিত কৰোৱায়। অৱশ্যে পৰীক্ষিত শৰ্মাৰ সাক্ষ্যদান আধৰুৱা হৈ ৰ'ল। তেওঁ বৃহস্পতিবাৰে পুনৰ আদালতত উপস্থিত হৈ সাক্ষ্য প্ৰদান কৰিব। জানিব পৰা মতে, পৰীক্ষিত শৰ্মাই আদালতত এছআইটিয়ে দাখিল কৰা অভিযোগনামাত উল্লেখ কৰা ধৰণেই নিজৰ সাক্ষ্যদান কৰিছে। দীৰ্ঘসময় ধৰি আদালতত ( নপৃষ্ঠাত চাওক)

# ১৫-২০ হাজাৰ যুৱক-যুৱতী নিযুক্তি লাভ কৰিব আৰক্ষীত



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যৰ চাকৰি প্ৰাৰ্থীৰ বাবে সুখবৰ। অসম আৰক্ষীত অচিৰেই ১৫-২০ হাজাৰ যুৱক-যুৱতীক দিয়া হ'ব নিযুক্তি আৰু আন বেটেলিয়ন গঠনৰ লগতে খালী থকা পদ, পদোন্নতিৰ সুবিধা লৈ প্ৰতিশ্ৰুতি দিয়া দুই লাখ নিযুক্তিৰ ভিতৰত ১৫-২০ হাজাৰ যুৱক-যুৱতীক অসম আৰক্ষীত নিযুক্তি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক বৃহৎ ঘোষণা কৰে। উল্লেখ্য যে বুধবাৰে দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত অনুষ্ঠিত হোৱা অসম আৰক্ষীৰ ( নপৃষ্ঠাত চাওক)

# মহানগৰীৰ নেমকেয়াৰ হাস্পতালত চিকিৎসকৰ মৃতদেহ উদ্ধাৰ



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী মহানগৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। চিকিৎসালয়ৰ ভিতৰতে এগৰাকী কৰ্মৰত চিকিৎসকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে। গুৱাহাটী মহানগৰীৰ ভঙাগড়স্থিত নেমকেয়াৰ হাস্পতালত এই ঘটনা সংঘটিত হৈছে। ডাঃ প্ৰয়াস সিংহল নামৰ চিকিৎসক গৰাকীয়ে চিকিৎসালয়খনৰ নতুন বিল্ডিঙৰ দ্বিতীয় মহলাত থকা আইচিইউৰ জিৰণি কক্ষত চৰম পন্থা বাছি লোৱাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। চিকিৎসালয়খনত আইচিইউ তথা জৰুৰীকালীন চিকিৎসা বিভাগৰ কৰ্তব্যৰত চিকিৎসক প্ৰয়াস সিংহল চিকিৎসালয়খনৰ নিউৰো আইচিইউৰো তত্ত্বাৱধানত আছিল। বুধবাৰে পুৱা ৯.৩০ বজাত তেওঁক অচেতন অৱস্থাত আইচিইউৰ জিৰণি কক্ষত উদ্ধাৰ কৰা হয় আৰু পৰৱৰ্তী সময়ত চিকিৎসকে তেওঁৰ মৃত্যু হোৱা বুলি ঘোষণা কৰে। মৃতদেহ উদ্ধাৰৰ পাছতে চিকিৎসালয়খনৰ কৰ্তৃপক্ষই ভঙাগঞ্জ আৰক্ষীক অৱগত কৰে। আৰক্ষী সূত্ৰই জনোৱা অনুসৰি মঙলবাৰে নিশা চিকিৎসকগৰাকীৰ নৈশ ডিউটী আছিল। দিনত তেওঁ কৰ্তব্যলৈ অহা নাছিল। নৈশ ডিউটীলৈ আহিয়েই চিকিৎসকগৰাকীয়ে কৰ্তব্যৰত নাৰ্ছক নিজকে অসুস্থ বুলি কৈছিল আৰু নিজেই চিকিৎসাৰ কাৰণে ঔষধ গ্ৰহণ কৰিছিল। নিশা অসুস্থ অনুভৱ কৰাৰ কথা নাৰ্ছক জনোৱাৰ পাছত তেওঁ চিকিৎসাৰ বাবে আইভি লোৱাৰ কথা কৈ জিৰণি কক্ষলৈ সোমাই গৈছিল। বুধবাৰে পুৱা তেওঁক জিৰণি কক্ষৰ ভিতৰত মৃত অৱস্থাত উদ্ধাৰ কৰা হয়। আৰক্ষী সূত্ৰটোৱে জনোৱা অনুসৰি চিকিৎসকগৰাকীয়ে নিজৰ হাতত কেনুলা ব্যৱহাৰ কৰি টোপনি অহা ঔষধ আৰু ইয়াৰ লগত এনাস্থেছিয়াৰ ঔষধ ইনজেকচনৰ জৰিয়তে গ্ৰহণ কৰিছিল আৰু আইচিইউৰ জিৰণি কক্ষত সোমাই শুই পৰিছিল। পৰৱৰ্তী সময়ত বুধবাৰে পুৱা ৯.৩০ বজাত আইচিইউৰ জিৰণি কক্ষত তেওঁৰ কোনো উত্তৰ নোপোৱাত কৰ্তৃপক্ষই আৰক্ষীক অৱগত কৰে আৰু আৰক্ষীৰ উপস্থিতিত তেওঁক জিৰণি কক্ষত অচেতন অৱস্থাত উদ্ধাৰ কৰে। প্ৰাথমিক তদন্তৰ অন্তত আৰক্ষীয়ে ইয়াক আত্মহত্যাজনিত ঘটনা বুলি সন্দেহ কৰিছে। জানিব পৰা মতে, ( দহ পৃষ্ঠাত চাওক)

# ড্ৰাগছৰ বিৰুদ্ধে অধিক কঠোৰ হোৱাৰ ইংগিত মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্তাসেৱা- ড্ৰাগছৰ পৰিমাণ বিচাৰ নকৰাকৈ কঠোৰ হ'বলৈ আৰক্ষীক নিৰ্দেশ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। দেৰগাঁৱত সংবাদ মাধ্যমৰ আগত এই প্ৰসংগত কয়- ড্ৰাগছৰ বিৰুদ্ধে যিসমূহ আইন আছে, সেই আইনৰ সুযোগ লৈ একাংশই এতিয়াও ড্ৰাগছৰ লগত জড়িত হৈ আছে। যদি কম পৰিমাণৰ ড্ৰাগছৰ সৈতে ধৰা পৰে কম শাস্তি, বেছি ড্ৰাগছৰ সৈতে ধৰা পৰিলে শাস্তি বেছি। এই আইন আমি মানি চলিবলৈ বাধ্য। কিন্তু মই আৰক্ষীক নিৰ্দেশ দিছোঁ যে ১০ গ্ৰাম-১১ গ্ৰাম এইবোৰ হিচাপ কৰি থাকিব নালাগে, আমি ড্ৰাগগ্ৰৰ বিৰুদ্ধে কঠোৰ হ'ব লাগে। উল্লেখ্য যে দেৰগাঁৱত অসম আৰক্ষীৰ দীক্ষান্ত সমাৰোহত উপস্থিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। সমাৰোহত মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণ ( নপৃষ্ঠাত চাওক)

# আমাৰ মানসিকতা আৰু দুমুখীয়া সমাজঃ এটা বিবেকৰ প্ৰশ্ন



**শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী**

টকা-পইচাৰ প্ৰকৃত মূল্য কি? জীয়াই থাকিবলৈ আমাক অন্ন, বস্ত্ৰ, বাসস্থান আৰু ঔষধৰ প্ৰয়োজন। শিক্ষা আৰু স্বাস্থ্যৰ নামত খৰচ কৰাটো আমাৰ কৰ্তব্য। কিন্তু বৰ্তমান সময়ত আমাৰ সমাজত এক অদ্ভুত আৰু চিন্তনীয় মানসিকতাই গা কৰি উঠিছে। আমি অজানিতে এনে এক জীৱনশৈলীৰ দাস হৈ পৰিছো, য'ত মানৱতাতকৈ 'ষ্টেটাছ' বা কৃত্ৰিম আভিজাত্যই গুৰুত্ব লাভ কৰিছে। আমাৰ দৈনিক জীৱনৰ কিছুমান সৰু সৰু ঘটনাই ইয়াৰ সঁচা প্ৰমাণ ডাঙি ধৰে।

আজিকালি অনলাইন শ্বপিং এক ফেশ্বন হৈ পৰিছে। কিন্তু এই অনলাইন বজাৰৰ আঁৰত কিমান যে প্ৰৱঞ্চনা লুকাই থাকে, সেয়া আমি সকলোৱে জানো। প্ৰায়ে অনলাইনত অৰ্ডাৰ কৰা বস্তুতকৈ সম্পূৰ্ণ বেলেগ, নিম্ন মানদণ্ডৰ বাবে একেবাৰে 'ডিফেক্টিভ' আৰু নকল বস্তু আমাৰ হাতলৈ আহে। ইমান ডাঙৰ ঠগ-প্ৰৱঞ্চনাৰ বলি হোৱাৰ পিছতো কিন্তু আমি ছচিয়েল মিডিয়াত বা গ্ৰাহক সুৰক্ষা চকীত গৈ বৰ বিশেষ হুলস্থুল নকৰোঁ; বৰঞ্চ নীৰৱে সেই লোকচান সহ্য কৰি লওঁ। কিয়নো ব্ৰেণ্ডেড কোম্পানীৰ বিৰুদ্ধে মাত মাতিবলৈ আমাৰ তথাকথিত 'আধুনিকতা'ই লাজ পায়।

ঠিক তেনেদৰে, কোনো এখন ডাঙৰ, বিলাসী ৰেষ্টুৰেণ্টত সোমাই যেতিয়া আমি খাদ্য অৰ্ডাৰ কৰো, তেতিয়া তাত কিমান উচ্চ মানদণ্ডৰ খাদ্য পোৱা যায়, সেয়া এক ডাঙৰ প্ৰশ্নবোধক চিন। বহু সময়ত দেখা যায় যে কেৱল ধুনীয়া টেবুল-চকী আৰু পোহৰৰ চমকনিৰ বাহিৰে খাদ্যৰ সোৱাদ বা মানদণ্ড একেবাৰে নিম্ন পৰ্যায়ৰ। আনকি সাধাৰণ চাহ একাপৰ নামতো তাত এশ-দুশ টকা লুটি লোৱা হয়। আচলতে সেই চাহত কোনো বিশেষত্ব নাথাকে, মাথোঁ যিখন দামী কাপ-প্লেটত চাহ কাপ পৰিৱেশন কৰা হয়, তাৰেহে আভিজাত্যৰ দাম লয়! হাজাৰ টকাৰ বিল হ'লেও আমি চকু মুদি ক্ৰেডিট কাৰ্ডখন আগবঢ়াই দিওঁ। আনকি তাত কাম কৰা ৱেইটাৰ জনক, যিয়ে তাৰ বিনিময়ত দৰমহা পায়, তাকো আমি গৌৰৱেৰে 'টিপছ' দি থৈ আহো।

আমাৰ এই আত্মসমৰ্পণ কেৱল ইয়াতেই শেষ নহয়। যেতিয়া আমি কোনো ট্ৰেভেল এজেন্সী বা অনলাইন পৰ্টেলৰ পৰা বিমানৰ টিকট কিনো তেতিয়া তাত হাজাৰ হাজাৰ টকাৰ যি নিৰ্দিষ্ট মূল্য লিখা থাকে, তাক আমি মূৰ দোঁৱাই লগে লগে পেমেণ্ট কৰি দিওঁ। তাত কোনো দৰদাম বা তৰ্কৰ থল নাথাকে।

কিন্তু আমাৰ এই তথাকথিত উদাৰতা আৰু নীৰৱতা ক'লৈ যায়, যেতিয়া আমি ৰাজপথৰ এজন সাধাৰণ ই-ৰিক্সা চালক, অটো চালক বা টেক্সি ড্ৰাইভৰৰ সন্মুখত থিয় হওঁ? যিয়ে দিনটোৰ তীব্ৰ গৰম, ধূলি-বালি মূৰত পাতি আমাক সুৰক্ষিতভাৱে আমাৰ গন্তব্যস্থানত *(বাৰপৃষ্ঠাত চাওক)*

# বিষাদৰ ছেপ্টেম্বৰ



**ৰাজু কলিতা, মাজুলী**

ছেপ্টেম্বৰ মাহটো অহাৰ লগে লগে বতাহজাক যেন হঠাতে গধুৰ হৈ পৰিছে, আকাশৰ কাঁচিয়লি ৰ'দছোৱাৰ মাজতো এক অজান বিষাদৰ ছাঁয়া ভাঁহি উঠে। অসমীয়া মানুহৰ হিয়াৰ আমঠু, চিৰকালৰ যাযাবৰী সুৰকাৰ জুবিন গাৰ্গ আমাৰ মাজৰ পৰা আঁতৰি যোৱাৰ আজি প্ৰায় এবছৰ হ'ল। এই সুদীৰ্ঘ দিনে যেন সমগ্ৰ অসমবাসীকে শিকাই গ'ল কেনেকৈ এটা হাহাকাৰ বুকুৰ ভিতৰতে চেপি ৰাখি জীয়াই থাকিব লাগে। ছেপ্টেম্বৰ মানেই যেন এতিয়া কেৱল শৰতৰ শেৱালিৰ সুবাস নহয়, ছেপ্টেম্বৰ মানেই এতিয়া বুকু খামুচি ধৰা এক অপূৰণীয় শূন্যতা, স্মৃতিত জীয়াই থকা এজন মানুহৰ বাবে নীৰৱে চকুলো টোকাৰ এক বেদনাময় অধ্যায়। জুবিন গাৰ্গ কেৱল এজন গায়ক বা সংগীত শিল্পী নাছিল, তেওঁ আছিল অসমীয়া জাতিকো একসূত্ৰে বান্ধি ৰখা এক আবেগৰ নাম, যাৰ মাতত প্ৰতিজন অসমীয়াই নিজৰ হাঁহি-কান্দোন, আশা-প্ৰত্যাশা আৰু সংগ্ৰামৰ অনুৰণন বিচাৰি পাইছিল। তেওঁৰ অবিহনে পাৰ হৈ যোৱা প্ৰতিটো ঋতু, প্ৰতিটো উৎসৱেই যেন ইয়াৰ প্ৰকৃত সৌন্দৰ্য হেৰুৱাই পেলাইছে। বিহুৰ পথাৰখনতেই হওক বা নিশাৰ মাতাল সুৰৰ আড্ডাতেই হওক, সকলোতে কেৱল একেটাই উকা অনুভূতি "জুবিন গাৰ্গ আৰু নাই"। তেওঁৰ সেই উদাৰ হিয়া, অন্যায়ৰ বিৰুদ্ধে চিঞৰি উঠা সেই বিদ্ৰোহী কণ্ঠ আৰু দুখীয়া-নিচলাৰ বাবে কন্দা সেই মানৱীয় হৃদয়খন এতিয়া কেৱল এক ইতিহাস, যি ইতিহাসে প্ৰতি মুহূৰ্ততে বুকু ভাঙি লৈ যায়। প্ৰায় এক বছৰে এটা ভাল অসমীয়া গীত শুনিবলৈ পোৱা নাই কোনোৱে। আজিৰ এই সুকীয়া নিসংগতাই আমাক বাৰে বাৰে সোঁৱৰাই দিয়ে যে কিছুমান মানুহৰ স্থান কেতিয়াও কোনো দ্বিতীয়জন ব্যক্তিয়ে পূৰণ কৰিব নোৱাৰে। এই এক নিদাৰুণ সত্য যে সময় আগবাঢ়ি যাব, নদীৰ পানী বৈ থাকিব, কিন্তু ছেপ্টেম্বৰ অহাৰ লগে লগে প্ৰতিগৰাকী অনুৰাগীৰ বুকুত আকৌ এবাৰ সেই একেই যন্ত্ৰণাদায়ক চিঞৰৰ প্ৰতিধ্বনি হ'ব। স্মৃতিৰ অতল গহ্বৰ পৰা ভাস্কৰ হৈ উঠিব সেই চিনাকি হাঁহিটো, সেই গীতৰ কলিকেইটা আৰু আমাৰ বুকুৰ পৰা স্বতঃস্ফূৰ্তভাৱে ওলাই আহিব কেৱল এক কৰুণ স্বৰ্গতোক্তি ছেপ্টেম্বৰ সঁচাকৈয়ে কেৱল বিষাদৰ, ছেপ্টেম্বৰ সঁচাকৈয়ে কেৱল জুবিন হীনতাৰ এক যন্ত্ৰণাদায়ক ইতিহাস।

# বাকৰুদ্ধ চহৰত কলমৰ দুখ



**শৰৎ দাস, গহপুৰ, ব্ৰহ্মাজান**

চহৰখনৰ বুকুত  
এতিয়া এপাল ভেড়াৰ  
দপদপনি  
বন্ধ দুৱাৰৰ আঁৰত  
মুখ লুকুৱাই  
কবিৰ কলমত  
এখন অশ্ৰুৰ নৈ  
মুক্ত বতাহৰ ঠিকনা  
বিচাৰি পকী  
দেৱালবোৰৰ কাষত কাণ পাতি  
অসংখ্য মানুহৰ সমদল  
ৰঙীন মুখবোৰৰ  
আঁউসীৰ এটি জোন আঁকি  
কবি এতিয়া মগ্ন  
জোনাকবিহীন  
শব্দৰ বাটত  
অমাৱস্যাৰ অঁকা  
চকুবোৰে  
শিলৰ দৰে বৈ আছে  
কবিৰ মন আজি  
শিল পৰা কপৌৰ দৰে  
সাগৰ খনো থমকি ৰল  
ঢৌবোৰেও মাত নেমাতে  
এজাক সঁচা শব্দ  
প্ৰসৱৰ সময়তেই  
এজাক আবতৰীয়া  
কুঁৱলীয়ে  
ডেউকা তিয়াই নিয়ে  
কবিৰ  
উৰণীয়া  
কলমটো  
চিয়াঁহীৰ বুকুত  
তেজৰ চিটিকণি  
পৰাৰ ভয়ত  
পংগু হাতদুখনে  
খামুচি ধৰে বাৰে বাৰে  
কাগজৰ নীৰৱতাৰ  
বুকুত  
এতিয়া বাকৰুদ্ধ চহৰত  
কবিৰ কলমৰ দুখ

# ফেচবুকৰ কৃত্ৰিমতা আৰু জীৱনৰ বাস্তৱতা



**প্ৰেম বৈষ্ণৱ, বিহালী, বিশ্বনাথ**

আজিৰ এই যান্ত্ৰিক যুগত আমাৰ জীৱন এটা সৰু মোবাইলৰ স্ক্ৰীনত আৱদ্ধ হৈ পৰিছে। আমি একেখন ঘৰতে থাকিও যেন পৰস্পৰৰ পৰা বহু দূৰৰ বাসিন্দা। ফেচবুকৰ এই নীলা ৰঙৰ পৃথিৱীখনে আমাক বহিৰ্জগতৰ মানুহৰ সৈতে ইমানেই নিবিড়ভাৱে সংযোগ কৰিছে যে আমি কাষত বহি থকা আপোনজনৰ মৌনতা বুজিবলৈ পাহৰি গৈছোঁ। যন্ত্ৰই আমাক বিশ্বখন দেখুৱাইছে সঁচা, কিন্তু চকুৰ আগত থকা তেজ-মঙহৰ মানুহবোৰক যেন ক্ৰমান্বয়ে অস্পষ্ট কৰি তুলিছে।

আমাৰ জীৱনৰ এক তিক্ত সত্য হ'ল- নিজৰ ঘৰত চলি থকা সমস্যা বা মা-দেউতা তথা সন্তানৰ মানসিক অৱস্থাৰ খবৰ ল'বলৈ আমাৰ দহ মিনিট সময়ৰ নাটনি হয়। অথচ সেই একেটো মোবাইলতে আমি নিৰৱচ্ছিন্ন ভাৱে ঘণ্টাৰ পিছত ঘণ্টা সময় অতিবাহিত কৰোঁ। আচৰিত লাগে যেতিয়া দেখোঁ, ফেচবুকত কোনো তথাকথিত বন্ধুৰ দূৰৈৰ সম্পৰ্কীয় এগৰাকী ব্যক্তিৰ মৃত্যু হ'লেও আমি শোকৰ নৈ বোৱাই দিওঁ। মন্তব্যৰ ঘৰত 'আৰ আই পি' (RIP) বা 'অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি' লিখি আমি এজন মহান সমাজকৰ্মী বা অতিশয় দয়ালু মানুহৰ দৰে ভাও ধৰোঁ।

প্ৰশ্ন হয়, আমি সঁচাকৈয়ে ইমান আৱেগিক নে? নে এয়া কেৱল লাইক আৰু কমেণ্ট বুটলাৰ এক যান্ত্ৰিক প্ৰতিযোগিতা? যিজন ব্যক্তিৰ লগত আমাৰ তেজৰ সম্পৰ্ক নাই, যাৰ লগত হয়তো কেতিয়াও ব্যক্তিগতভাৱে মুখামুখি হোৱা নাই, তেওঁৰ বাবে আমাৰ ফেচবুকৰ দেৱালত শোকৰ বন্যা বয়। কিন্তু সেই একে সময়তে আমাৰ ঘৰৰ চুকত বহি থকা আপোনজনে নিঃসংগতাত ভুগি চকুলো টুকিছে, যাৰ খবৰ ল'বলৈ আমাৰ আহৰি নাই। যিসকলৰ বাবে আজি আমি পৃথিৱী দেখিছোঁ, যিসকলে আমাৰ বাবে গোটেই জীৱন উচৰ্গা কৰিলে, তেওঁলোকৰ এটা হাঁহি বা এটা সৰু ইচ্ছা পূৰণ কৰিবলৈ আমাৰ ইমান অনীহা কিয়?

আমাৰ এই যান্ত্ৰিকতাই আমাক এনে এক পৰ্যায়লৈ লৈ গৈছে, য'ত আমি মানুহক জীয়াই থকা অৱস্থাতকৈ মৃত্যুৰ পিছতহে বেছি সন্মান দিওঁ। ফেচবুকত ফটো দি শ্ৰদ্ধাঞ্জলি জনোৱাটো এতিয়া এক ফেশ্বন হৈ পৰিছে। অথচ সেই একেজন মানুহ জীয়াই থকা অৱস্থাত আমি তেওঁক পানী এটুপি সুধিছিলোঁনে? তেওঁৰ সৈতে দুখ-সুখৰ হাঁহি-কান্দোন ভগাই লৈছিলোঁনে? আমি পাহৰি গৈছোঁ যে মোবাইলৰ স্ক্ৰীনত দিয়া হাজাৰ হাজাৰ সমবেদনাৰ হাততকৈ বিপৰ্যয়ৰ সময়ত আপোন মানুহৰ এমুঠি মৰম আৰু দুযাৰ শান্ত্বনাৰ মাতৰ মূল্য বহুত বেছি। আমি আজি এনে এক সমাজৰ বাসিন্দা, য'ত তেজৰ সম্পৰ্কতকৈ ডাটাৰ সংযোগ অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। যিমান দিনলৈকে মোবাইলত ডাটা থাকিব, সিমান দিনলৈকেহে আমি আনৰ দুখত 'দুখী' হোৱাৰ নাটকখন কৰি থাকিব পাৰিম। ইয়াৰ বাহিৰে আমাৰ হৃদয়ত সঁচাকৈয়ে কাৰোবাৰ বাবে ঠাই আছে নে? নে আমি কেৱল এটা লাইকৰ বাবে নিজৰ বিবেকক বিক্ৰী কৰি দিছোঁ? এবাৰ গভীৰভাৱে ভাবি চাবচোন।

ফেচবুকৰ বন্ধুত্বই আমাক এনে পৰ্যায়লৈ লৈ গৈছে, য'ত ব্যক্তিগত বুলি একো বাকী থকা নাই। আমি এতিয়া এক খোলা কিতাপৰ দৰে হৈ পৰিছোঁ, যাৰ প্ৰতিটো পৃষ্ঠা যিকোনো অচিনাকি মানুহে অতি সহজে পঢ়িব পাৰে। আমাৰ জীৱনৰ গুৰুত্বপূৰ্ণ মুহূৰ্তবোৰ এতিয়া ব্যক্তিগত হৈ থকা নাই, সেইবোৰ এতিয়া ফেচবুকৰ ষ্টেটাচ আৰু ষ্টৰীৰ বিষয়বস্তুহে। আটাইতকৈ বেদনাদায়ক কথাটো হ'ল- ঘৰত মা-দেউতাৰ লগত দুযাৰ মৰমৰ কথা পাতিবলৈ আমাৰ জিভাখন শুকাই যায়, কিন্তু চাটব'ত কোনো বন্ধুৱে 'কি কৰিছে?' বুলি সুধিলে আমি মুহূৰ্তৰ ভিতৰতে হাজাৰটা উত্তৰ দিওঁ। একেখন চালৰ তলতে থকা মানুহবোৰ ইজনে সিজনৰ বাবে অচিনাকি হৈ পৰিছে, অথচ মাইল মাইল দূৰত্বত থকা অচিনাকি ব্যক্তিৰ সৈতে আমাৰ দিন-ৰাতি একাকাৰ হৈ পৰিছে।

আগলৈ...

# বিচ্ছেদ

**প্ৰভাত বণিয়া**



মায়াবী জীৱন মায়াত নিমজ্জিত
দিশহাৰা স্বপ্নীল পৃথিৱীৰ কায়া
অসাৰ সৌন্দৰ্য-সুষমা,
হাঁহি-কান্দোন, পথৰুৱা বাঁহীৰ সুৰ
টোপ টোপ
বৰষুণৰ টোপাল সৰা নাই
শিলাময় হৃদয়
আকাশ শূণ্য তৰাফুল নুফুলে
সুখ আৰু দুখ একাকাৰ
একলা দুকলাকৈ বাঢ়িছে ক্ৰমশঃ
আমাৰ বিৰহৰ দুৰ্ঘোৰ নিশা।

# নাটক আমি কিয় কৰিব লাগে



**নিবেদিতা হাজৰিকা, লখিমপুৰ**

নাটক বা অভিনয় হ'ল এক শিল্প, সাহিত্যৰ এটি বিশেষ মাধ্যম বা ধৰণ, যি অভিনয়ৰ জৰিয়তে দৰ্শকলৈ আগবঢ়োৱা হয়। সাহিত্যৰ এই বিশেষ শাখাটি অভিনয়, সংলাপ আৰু কাহিনীৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াত মানুহৰ জীৱনৰ সুখ-দুখ, সংঘাত, বিভিন্ন আচাৰ-আচৰণ আদি দৃশ্যমান ৰূপত মঞ্চত বা পৰ্দাত তুলি ধৰা হয়। সাধাৰণতে এটি লিখিত পাণ্ডুলিপি অনুসৰণ কৰি অভিনয় কৰি নাট পৰিৱেশন কৰা হয়।

নাটকক আমি এখন আইনা বুলি অভিহিত কৰিব পাৰো, য'ত নিজৰ -নিজৰ সমাজখনৰ ভাল-বেয়া দুয়োটা দিশেই প্ৰকাশি উঠে। মানৰ জীৱনৰ প্ৰতিটো দিশৰ লগত নাটক সদায় একত্ৰ, সংযোজিত হৈ থাকে। সমাজৰ এক অবিচ্ছেদ্য অংগ স্বৰূপ নাটক শিশুৰ পৰা বৃদ্ধলৈকে প্ৰতিজন মানুহৰ জীৱনৰ লগত জড়িত হৈ থকাৰ লগতে, ই সমাজৰ বিকাশ সাধনৰো এক প্ৰধান অস্ত্ৰ। জীৱন সম্পৰ্কীয় ধাৰণা প্ৰকাশৰ এক কলা ৰূপ স্বৰূপ নাটকে মানুহৰ হৃদয়ক খাদ্য দিয়ে। ৰংগমঞ্চত অভিনয়ৰ জৰিয়তে জীৱনৰ বাস্তৱ ছবি উপস্থাপন কৰা, ফুটি উঠা ই এক দৃশ্য-শ্ৰাব্য মাধ্যম ।

নাটক চোৱা আৰু নাটকত অভিনয় কৰা-এই দুয়োটাই আমাৰ বাবে লাভজনক।সেয়ে আমি পাৰ্যমানে নাটকৰ সৈতে যুক্ত হৈ থাকিবলৈ যত্ন কৰা উচিত। নাটক কৰিলে আমাৰ মন আৰু শৰীৰ দুয়োটাৰে লাভ হয়। শাৰীৰিকতকৈ অৱশ্যে মানসিক লাভালাভ নাটকৰ জৰিয়তে অধিক পোৱা যায় ।

নাটক বা নাট্যই ব্যক্তিৰ ব্যক্তিত্ব আৰু মানসিক বিকাশত বিশেষ ভাৱে সহায় কৰে।মঞ্চত অভিনয় কৰিলে বা মানুহৰ সন্মুখত কথা ক'লে মনৰ পৰা ভয় দূৰ হয়, আত্মবিশ্বাস বাঢ়ে, সামাজিক হ'বলৈ, অনুশাসন মানি চলিবলৈ, সহনশীলতা আৰু বন্ধুত্বসুলভ মনোভাৱ বঢ়োৱাত, আনৰ সুখ-দুখ, সুবিধা বুজি পোৱাৰ ক্ষমতা বৃদ্ধিত, স্মৃতিশক্তি, মনোযোগ আদি বৃদ্ধি হয়। দৃঢ়তা, একাগ্ৰতা, একতা, সাহস, সৃষ্টিশীলতা, যোগাযোগৰ দক্ষতা, সহযোগী মনোভাৱ, কল্পনাশক্তি বৃদ্ধি, সমস্যা সমাধান, এক বহল দৃষ্টিভংগী গঢ়ি তোলাত নাটক বিশেষ সহায়ক। নাটকত অভিনয় কৰাৰ ফলত আমাৰ সামাজিক সচেতনতা, সহমৰ্মিতা, নৈতিক শিক্ষা আদিও প্ৰাপ্ত হয় । ই আমাক মানুহৰ চৰিত্ৰ বুজাত আৰু জীৱনৰ সত্যতা উপলব্ধি কৰাত সহায় কৰে।

নাটক কৰা বা অভিনয় কৰাটো এক সক্ৰিয় সৃষ্টিশীল কাম। চৰিত্ৰৰ গভীৰতালৈ গৈ, সংলাপ কোৱা আৰু শাৰীৰিক অংগী- ভংগী কৰি দৰ্শকক আমোদ দিয়াটো বৰ সহজ নহয়। তথাপি এই সকলো কষ্ট নেওচি বহুতেই নাটক কৰাৰ আনন্দ ল'ব বিচাৰে । সমাজ সংস্কাৰ, মানসিক বিকাশ আৰু বিনোদনৰ বাবেই মূলত নাটক কৰে আৰু নাটকৰ লগত যুক্ত হোৱা উচিত । নাটক কৰা বা অভিনয়ৰ লগত যুক্ত হোৱাটো একেবাৰেই বেয়া নহয়, বৰঞ্চ ই এক সুন্দৰ কলাত্মক চৰ্চা, যিয়ে সমাজ আৰু ব্যক্তি মনক প্ৰতিফলিত কৰা এক সুন্দৰ যোগাত্মক বাৰ্তাবাহক মাধ্যম। ই এটা অতি সুন্দৰ আৰু উচ্চমানৰ কলাত্মক চৰ্চা, যি মানুহৰ মনত আনন্দ প্ৰদানৰ লগতে মানসিক দিশৰ ক্ষেত্ৰতো প্ৰভাৱ বিস্তাৰ কৰে, চিন্তা - চেতনা যোগায় আৰু সমাজক সঠিক পথৰ সন্ধান দিয়ে।

নাটক বা অভিনয়ৰ জগত খনৰ লগত জড়িত হৈ নিজৰ সুপ্ত প্ৰতিভা বিকশাই তুলিবলৈ সকলোৰে আগ্ৰহী হ'ব লাগে, সকলোকে ইয়াৰ লগত জড়িত হ'বলৈ, জড়িত কৰিবলৈ উৎসাহ প্ৰদান কৰিব লাগে। নাটকৰ লগত জড়িত হ'বৰ বাবে আহ্বান জনোৱাটো মানুহৰ মনত শিল্প আৰু সৃষ্টিশীলতাৰ প্ৰতি

*(আঠপৃষ্ঠাত চাওক)*

# শিক্ষক দিৱসৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ দিন



**যমুনা দুলু বৈশ্য, শুৱালকুছি**

শিক্ষা হৈছে জীৱনৰ পোহৰ, আৰু এই পোহৰটোক আমাৰ জীৱনত আগবঢ়াই আনিবলৈ যি ব্যক্তিয়ে অগ্ৰণী ভূমিকা গ্ৰহণ কৰে, তেওঁ হ'ল শিক্ষক। এজন সৎ, জ্ঞানী আৰু আদৰ্শ শিক্ষক সমাজ গঠন, জাতি নিৰ্মাণ আৰু দেশৰ উন্নয়নত এক অমূল্য সম্পদ। এজন ডাঙৰ বিজ্ঞানী, নেতা, চিকিৎসক, সেনানায়ক, বা প্ৰশাসক হ'বৰ আগতে তেওঁ এজন শিক্ষকৰ শিক্ষাৰদ্বাৰা গঢ় লৈ উঠে। সেই বাবেই শিক্ষকসকলক 'জাতি গঢ়োতা' বুলি কোৱা হয়।

শিক্ষক দিৱস হৈছে এটি বিশেষ দিন, যিটো দিন শিক্ষকৰ প্ৰতি সন্মান আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ উদ্দেশ্যে উদযাপন কৰা হয়। ভাৰতত প্ৰতিবছৰে ৫ ছেপ্টেম্বৰ তাৰিখে এই দিনটো উদযাপন কৰা হয়। সেই দিনটোতেই ভাৰতৰ প্ৰথাম উপ-ৰাষ্ট্ৰপতি আৰু দ্বিতীয় ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ জন্মদিন। তেওঁ এজন বিশিষ্ট দাৰ্শনিক, শিক্ষক আৰু শিক্ষাৰ প্ৰতি গভীৰ উৎসৰ্গা থকা ব্যক্তি আছিল। তেওঁ বিশ্বাস কৰিছিল যে শিক্ষকসকলৰ প্ৰতি সমাজে সন্মান আৰু কৃতজ্ঞতা প্ৰকাশ কৰাটো অতি প্ৰয়োজনীয়। তেওঁৰ সন্মানত এই দিনটো শিক্ষক দিৱস হিচাপে পালন কৰা আৰম্ভ হয়।

শিক্ষক দিৱসৰ প্ৰাসংগিকতা এইটোতেই যে, ই আমাৰ সমাজত শিক্ষকৰ ভূমিকা প্ৰত্যক্ষ কৰি তেওঁলোকৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰাৰ এক উৎকৃষ্ট অৱসৰ। শিক্ষক নোহোৱাকৈ শিক্ষাৰ আলোক কোনে পোহৰাব? এজন শিক্ষকে কেৱল পাঠ্য-পুথিৰ বিষয় শিকোৱাই নহয়, তেওঁ ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ দিশ নিৰ্দেশনাৰো দায়িত্ব লয়। এই দিনটোত ছাত্ৰ-ছাত্ৰীয়ে নিজৰ শিক্ষকসকলৰ বাবে অনুষ্ঠান আয়োজন কৰে, অভিনন্দন জ্ঞাপন কৰে আৰু তেওঁলোকৰ জীৱন গঢ়ি তুলিবলৈ কৰা অৱদানৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

আজিৰ যুগত যিহেতু তথ্য আৰু প্ৰযুক্তি দ্ৰুতগতিত বিকাশ পাইছে, সেই পৰিপ্ৰেক্ষিতত শিক্ষকসকলৰ ভূমিকা আৰু দায়িত্ব আৰু বেছি গুৰুত্বপূৰ্ণ হৈ পৰিছে। ইণ্টাৰনেটত তথ্য উপলব্ধ হোৱাৰ পাছতো শুদ্ধ দিশ দেখুৱাব পৰা এজন সুদক্ষ শিক্ষকেই ছাত্ৰক জীৱনত সফল কৰি তুলিব পাৰে।

আজিৰ ব্যৱসায়িক আৰু প্ৰতিযোগিতামূলক যুগত শিক্ষকসকলৰ অৱদান প্ৰায়ে পাহৰি যোৱা হয়। ইণ্টাৰনেট, গুগল, ইউটিউব আদি নতুন মাধ্যমবোৰৰ লগত নতুন প্ৰজন্ম অধিক পৰিচিত হৈ পৰিছে। কিন্তু এই মাধ্যমবোৰে কেৱল তথ্য প্ৰদান কৰে। সঠিক দিশ, নৈতিকতা, মূল্যবোধ আৰু জীৱনৰ গুৰুত্বপূৰ্ণ পাঠ দিয়ে এজন আদৰ্শ শিক্ষকেই। সেই বাবে, শিক্ষকৰ অৱদানৰ সঁহাৰি স্বৰূপে বছৰত এদিন শিক্ষক দিৱস উদযাপন কৰাটো অতি প্ৰাসংগিক।

সাম্প্ৰতিক সমাজত নৈতিকতা, সহানুভূতি, সহনশীলতা আদি মূল্যবোধবোৰ পুনঃ প্ৰতিষ্ঠা কৰিবলৈ শিক্ষকে কেন্দ্ৰীয় ভূমিকা গ্ৰহণ কৰিব লাগিব। কেৱল পাঠ্যভিত্তিক জ্ঞান নহয়, জীৱনভিত্তিক শিক্ষাও দিব লাগিব। শিক্ষাৰ অৰ্থ হৈছে মানুহক মানুহ হিচাপে গঢ়ি তোলা-তেওঁক চিন্তাশীল, সহানুভূতি সম্পন্ন আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলা। এই ক্ষেত্ৰতো শিক্ষক দিৱসে আমাক সেই কথা মনত পেলায়-যে এজন সৎ আৰু আদৰ্শ শিক্ষক হ'ল সমাজ গঠনৰ আচল ভেটি।

সমাজত শিক্ষক সকলৰ ওপৰত গুৰুত্বপূৰ্ণ দায়িত্ব থকাৰ দৰে, সমাজৰো দায়িত্ব থাকে শিক্ষকসকলক সন্মান, সুৰক্ষা আৰু সঠিক পৰিৱেশ আগবঢ়োৱাৰ। শিক্ষা ক্ষেত্ৰত সঁচা উন্নয়ন আনিব বিচাৰিলে শিক্ষকসকলৰ পৰিস্থিতি উন্নত কৰা একান্ত প্ৰয়োজন।

সঁচাকৈয়ে, শিক্ষক দিৱস হৈছে কৃতজ্ঞতা, সন্মান আৰু উৎসৰ্গাৰ এক প্ৰতিক। এই দিনটোৱে আমাক স্মৰণ কৰায় যে, এজন শিক্ষকে হয়তো পুথিৰ পৃষ্ঠা খুলি অধ্যায় শিকায়, কিন্তু বাস্তৱ জীৱনৰ অধ্যায় শিকাবলৈ তেওঁ সদায় সদা প্ৰস্তুত। এজন আদৰ্শ শিক্ষকে সমাজৰ দীঘলীয়া পৰিৱৰ্তন আনিব পাৰে। সেইবাবে শিক্ষক দিৱসৰ প্ৰাসংগিকতা কেতিয়াও নোহোৱা নহয়, বৰঞ্চ দিন-প্ৰতিদিনে ইয়াৰ মূল্য আৰু অধিক বৃদ্ধি পাইছে।

শিক্ষক দিৱস কেৱল এটি আনুষ্ঠানিক দিন নহয়; ই হৈছে শিক্ষকৰ মহত্বক স্মৰণ কৰা, তেওঁলোকৰ আত্মত্যাগ আৰু অৱদানক কৃতজ্ঞচিত্তে স্বীকাৰ কৰাৰ এটি সুযোগ। এই দিৱসৰ জৰিয়তে আমি সকলোৱে মাজত শিক্ষকৰ প্ৰতি সন্মান, ভালপোৱা আৰু আদৰ্শ বঢ়াই তুলিব পাৰোঁ। সঁচাকৈয়ে শিক্ষক দিৱসৰ ব্যক্তি বা সমাজজীৱনৰ চালিকা শক্তিবোৰক সবল আৰু সেউজ কৰি ৰাখিবলৈকে কোনো উজ্জ্বল সপ্ৰতীভ দৃষ্টান্তবোৰৰ আৱশ্যকীয়তাৰ আঁত ধৰি সিবোৰক দিৱস হিচাপে পালন কৰাৰ যথেষ্ট প্ৰাসংগিকতা থাকে। এই দিৱসসমূহৰ অন্যতম হ'ল শিক্ষক দিৱস।

ভাৰতৰ এগৰাকী অন্যতম কৃতবিদ্য দাৰ্শনিক পণ্ডিত আৰু শিক্ষাবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ জন্মদিনটো ১৯৬২ চনৰ পৰা সমগ্ৰ ভাৰততে শিক্ষক দিৱস হিচাপে পালন কৰি অহা হৈছে। ১৯৬২ চনত তেওঁ ভাৰতৰ ৰাষ্ট্ৰপতি পদত কাৰ্যনিৰ্বাহ কৰি থাকোঁতেই ছাত্ৰ-ছাত্ৰী সমন্বিতে তেওঁৰ গুণমুগ্ধসকলে তেওঁৰ জন্মদিন পালিবলৈ প্ৰস্তাৱ আগবঢ়াওঁতে তেওঁ বিনয়েৰে তেওঁৰ জন্মদিনটো সমগ্ৰ ৰাষ্ট্ৰৰ শিক্ষকসকলৰ সন্মানাৰ্থে শিক্ষক দিৱস ৰূপে পালিবলৈ উদ্যোক্তাসকলৰ প্ৰতি আহ্বান জনায়। সেয়ে তেওঁৰ আহ্বানৰ প্ৰতি সন্মান জনাই ভাৰত চৰকাৰৰ অনুমোদনসাপেক্ষে ৫ (পাঁচ) চেপ্তেম্বৰ তাৰিখটো সেইচনৰ পৰাই সমগ্ৰ দেশতে শিক্ষক দিৱস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে সদায় শিক্ষা আৰু শিক্ষাবিদসকলক শ্ৰদ্ধা আৰু গুৰুত্ব প্ৰদান কৰিছিল। শিক্ষাই হৈছে মানৱ জীৱনৰ উন্নতিৰ মূল শক্তি। এই শক্তিক তেওঁ নিৰ্ভুলভাৱে উপলব্ধি কৰিছিল। ভাৰতৰ দৰে জনবহুল দৰিদ্ৰ দেশ এখনে উন্নতিৰ জখলাত বগাবলৈ হ'লে গুণগত শিক্ষাৰ যে একান্ত আৱশ্যকতা আছে সেই কথা তেওঁ মনে প্ৰাণে উপলব্ধি কৰিছিল। আৰু সেয়ে তেওঁ গুণগত শিক্ষা বিস্তাৰৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

দেশ স্বাধীন হ'ল। শিক্ষাৰ বিস্তাৰো এতিয়া যথেষ্ট হৈছে। চিকিৎসা, জ্যোতিৰ্বিজ্ঞান, সমাজ বিজ্ঞান, ৰাজনীতি বিজ্ঞান, কলা-ভাস্কৰ্য, ব্যৱসায়-বাণিজ্য, প্ৰযুক্তিবিজ্ঞান ইত্যাদি শিক্ষাৰ ক্ষেত্ৰখনত যথেষ্ট উন্নতি পৰিলক্ষিত হৈছে। বিশ্বৰ প্ৰেক্ষাপটত ভাৰতৰ গুৰুত্বও নবঢ়া নহয়। কোৱাবাহুল্য যে শিক্ষাৰ দ্ৰুত সম্প্ৰসাৰণৰ বাবেই উল্লিখিত দিশবিলাকৰ উন্নতি সম্ভৱ হৈছে। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ দৰে বিদ্বান দূৰদৰ্শী ব্যক্তিৰ অহোপুৰুষাৰ্থৰ বাবেই পিছৰ প্ৰজন্মই ভাৰতৰ পুথিগত তথা ব্যৱহাৰিখ শিক্ষাবিস্তাৰৰ বাবে অনুপ্ৰেৰণা লাভ কৰিছে। তথাপিও এতিয়াও বহুদূৰ অতিক্ৰম কৰিবলৈ বাকী আছে।

এই শিক্ষক দিৱসৰ প্ৰাসংগিকতা দিনক দিনে বৃদ্ধি হৈ আহিছে কাৰণ এতিয়া প্ৰতিযোগিতাৰ দিন। ভাৰতে পৃথিৱীৰ উন্নত দেশসমূহৰ লগত সমানে সমানে ফেৰ মাৰিবলৈ দেশৰ শিক্ষা ব্যৱস্থাক আৰু উন্নত কৰি তুলিব লাগিব। ব্যৱহাৰিক শিক্ষাৰ সম্প্ৰসাৰণ বুনিয়াদী স্তৰৰ পৰা হ'ব লাগিব। প্ৰতিবছৰৰ শিক্ষাদিৱসৰ দিনা এনে চিন্তাৰ উকমুকনিক প্ৰাধান্য দিব লাগিব।

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে পুথিগত শিক্ষাৰ লগতে জাতীয় চৈতন্য আৰু চৰিত্ৰৰ শিক্ষাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ নিজেও এজন অতি সংস্কাৰী ব্যক্তি আছিল। চৰিত্ৰ শিক্ষাৰ ভূষণ হ'ব লাগিব। ঋষিমুনিৰ দেশ ভাৰতত আধ্যাত্মিক শিক্ষাৰ প্ৰচলন আগৰে পৰা চলি আহিছে। গুৰু শিষ্যৰ মধুৰ সম্বন্ধ তথা পাৰস্পৰিক শ্ৰদ্ধাশীলতাৰ শিক্ষাৰ কথা বেদ উপনিষদ ইত্যাদি শাস্ত্ৰসমূহত বিস্তাৰিত ভাৱে আলোচিত হৈছে। গুৰু শিষ্যৰ এই মধুৰ পৰম্পৰা ভগৱান শ্ৰীকৃষ্ণ, ভগৱান ৰামেও যথাযথ ভাৱে মানি চলাৰ আদৰ্শক মানুহৰ সন্মুখত দৃষ্টান্ত ৰাখি গৈছে। এনে পৰম্পৰাৰ পৰা ভাৰতীয় শিক্ষাব্যৱস্থা দূৰৈত অৱস্থান কৰিব নোৱাৰে। শিক্ষক দিৱসৰ দিনা এনেবোৰ কথা আলোচনা হোৱাৰ দৰকাৰ আছে, প্ৰাসংগিকতা আছে।

ক'বলৈ বেয়া বৰ্তমান সময়ত গুৰুশিষ্যৰ সম্বন্ধ যেন ক'ৰবাত ফাঁট মেলিছে। ক'ৰবাত ক'ৰবাত এই সম্বন্ধৰ মাজত বিঘিনি ঘটা বিভিন্ন সংবাদে মনলৈ দুখ আৰু ঋণাত্মকতা কঢ়িয়াই আনে। আধুনিকতাৰ ধামখুমীয়াত ক'ৰবাত যেন প্ৰাচীন পৰম্পৰাবোৰ লোপ পাবলৈ ধৰিছে। এইবোৰ চিন্তাৰ বিষয়। এনেবোৰ ঋণাত্মকতা কেনেকৈ আঁতৰ কৰিব পাৰি সেইবোৰ কথাও আজি শিক্ষকদিৱসৰ প্ৰাসংগিকতাৰ আওতাত সোমোৱা উচিত বুলি আমি বিবেচনা কৰোঁ। নক'লেও হ'ব প্ৰকৃত শিক্ষাইহে সৎ মানুহ সৎ প্ৰচেষ্টাৰ মূল আধাৰ। সকলো শিক্ষাগুৰুকে ভক্তিঅঞ্জলি যাচিছোঁ।

# নাটক আমি কিয়

আগ্ৰহ জগোৱাৰ বা আগ্ৰহী কৰি তোলাৰ এক শক্তিশালী প্ৰেৰণা।

নাটকত অংশ লোৱাৰ বাবে আজিৰ উঠি অহা প্ৰজন্মৰ বহুতেই আগ্ৰহ প্ৰকাশ কৰা পৰিলক্ষিত হৈছে, যিটো এক শুভ লক্ষণ। এই ক্ষেত্ৰত কৰ্মশালা সমূহে বিশেষ সহযোগিতা আৰু ব্যৱস্থা গ্ৰহণ কৰিছে। কৰ্মশালা সমূহে নতুন প্ৰজন্মৰ মাজত নাটকৰ প্ৰতি আগ্ৰহ আৰু সচেতনতা দুয়োটাই বৃদ্ধি কৰিছে। ই সমাজ আৰু সংস্কৃতি দুয়োটাৰে বাবে এক শুভ লক্ষণ। কিয়নো, ইয়াৰ জৰিয়তে মানসিক উৎকৰ্ষ সাধনৰ বাবে মুকলি হৈছে, সমাজ সচেতনতা বৃদ্ধি পাইছে আৰু নিজেও শিল্পী সুলভ কলা প্ৰকাশ কৰাৰ সুযোগ পাইছে। কেৱল এয়ে নহয়, ইয়াৰ জৰিয়তে অভিনয়ৰ শিক্ষা, মঞ্চ চৰ্চা, আৰু সামাজিক জ্ঞান লাভ কৰাৰো সুবিধা হৈছে।

নাটকক সাধাৰণতে মনোৰঞ্জন বা বিনোদনৰ কেন্দ্ৰ বুলিয়ে ভবা হয় বা বিনোদনৰ সৈতে জড়িও কৰা হয় যদিও ই কেৱল অভিনয় কৰাৰ সুযোগেই প্ৰদান নকৰে। নাটকত অভিনয়ৰ জৰিয়তে সৃষ্টিশীলতা, আবেগিক বুদ্ধিমত্তা, সামালোচনাত্মক চিন্তাধাৰাৰ বাহক হিচাপেও নাটকৰ বিশেষ ভূমিকা আছে ।

নাটক কৰাৰ বহুখিনি উপকাৰী দিশ আছে। যাৰ জৰিয়তে সকলো উপকৃত হোৱাৰ সম্ভাৱনাই অধিক। নাটকৰ পৰা ব্যক্তিগত, ব্যৱহাৰিক, মানসিক আৰু সামাজিক এই সকলো দিশৰে লাভ হয়। সেয়ে আগ্ৰহী, কলা সুলভ মনৰ অধিকাৰী সকলোৱে নাটকত অংশ ল'ব লাগে আৰু অভিভাৱক সকলেও সন্তানক নাটক আদিত অংশ ল'বলৈ উৎসাহিত কৰিব লাগে। ই শিক্ষা লাভ বা শিক্ষা প্ৰদানৰো এক বিশেষ মাধ্যম। বৰ্তমান সময়ত ইয়াক পাঠ্যক্ৰমতো অন্তৰ্ভুক্ত কৰা হৈছে। কিতাপে জ্ঞান দিয়ে আৰু নাটকে সেই জ্ঞানক জীৱন দিয়ে। **আগলৈ...**

# ভূপেশ বাঘেলক

দলৰ পৰাজয়ৰ পাছতে প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়কৰ দায়িত্বৰ পৰা পদত্যাগ কৰিছিল জিতেন্দ্ৰ সিঙে। অসম কংগ্ৰেছৰ তত্ত্বাৱধায়কৰ সলনিৰ লগতে এআইচিচিৰ গুজৰাট, পঞ্জাব, ছত্তিশগড়, মহাৰাষ্ট্ৰ আৰু অন্ধ্ৰ প্ৰদেশৰো নতুন তত্ত্বাৱধায়ক নিযুক্তি দিছে। সেই অনুসৰি গুজৰাটৰ দায়িত্ব অৰ্পণ কৰা হৈছে ৰণদীপ সিং সুৰ্যেৱালাক, পঞ্জাবৰ দায়িত্ব শচীন পাইলটৰ ওপৰত, ছত্তিশগড়ৰ দায়িত্ব সুখদেউ ভাগৎ, মহাৰাষ্ট্ৰৰ দায়িত্ব ড° শ্ৰীভেল্লা প্ৰসাদৰ ওপৰত আৰু অন্ধ্ৰ প্ৰদেশৰ তত্ত্বাৱধায়কৰ দায়িত্ব পিভি মোহনৰ ওপৰত অৰ্পণ কৰা হৈছে। ৰণদীপ সিং সুৰ্যেৱালাক অতিৰিক্তভাৱে কৰ্ণাটক কংগ্ৰেছৰ - তত্ত্বাৱধায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

# ভাৰতৰ হাতত ৭

বিদায় লয়। পাকিস্তানৰ হৈ তিনিওটা উইকেট লাভ কৰে ফাতিমা ছানাই। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি শ্ৰী চৰণী আৰু প্ৰেমা ৰাৱাটৰ বিধ্বংসী বলিঙৰ সন্মুখত বেটিং বিপৰ্যয় হৈ পাকিস্তানে ১৮.১ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫৫ ৰানহে সংগ্ৰহ কৰে। দলটোৰ মাত্ৰ দুগৰাকী বেটাৰে দহকৰ ঘৰ স্পৰ্শ কৰে। অ'পেনাৰদ্বয় মুনিবা আলীয়ে ১৩ আৰু শ্বাৱাল জুলফিকৰে ১৪ ৰানৰ অৱদান আগবঢ়ায়। চৰণী, প্ৰেমা আৰু দীপ্তি শৰ্মাৰ দুৰ্দান্ত বলিঙৰ সন্মুখত কোনো এজন পাকিস্তানী বেটাৰে ক্ৰিজত অধিক সময় তিষ্ঠিব নোৱাৰিলে। ভাৰতীয় দলৰ হৈ শ্ৰী চৰণী আৰু প্ৰেমা ৰাৱাট উভয়ে সৰ্বাধিক তিনিটাকৈ উইকেট লাভ কৰাৰ লগতে দীপ্তি শৰ্মাই দুটা আৰু শেফালী বাৰ্মাই এটা উইকেট লাভ কৰে।

# জুবিন গাৰ্গ হত্যা

সাক্ষ্যদানৰ সন্মুখীন হোৱা পৰীক্ষিত শৰ্মাই আদালতৰ পৰা ওলাই আহি সংবাদ মাধ্যমৰ আগত কয়- মোটামুটিভাৱে সাক্ষ্যদান এতিয়াও শেষ হোৱা নাই। সাক্ষ্যদানৰ প্ৰক্ৰিয়া আৰু বাকী আছে। গতিকে এই বিষয়টোক লৈ মই এতিয়া একো মন্তব্য কৰিব খোজা নাই। কাৰণ মেটাৰটো ছাবজুডিছ হৈ আছে। সাক্ষ্যদান প্ৰক্ৰিয়া শেষ হ'বলৈ দিয়ক। তাৰ পিছত মই যি ক'বলগীয়া আছে ক'ম। সাংবাদিকে সোধা আন এক প্ৰশ্নৰ উত্তৰত পৰীক্ষিত শৰ্মাই আদালতে পুনৰ তেওঁক মতা বুলি উল্লেখ কৰে আৰু কয়- আমি ন্যায়ৰ বাবেইতো আহিছোঁ। আমাক যেতিয়া ক'ৰ্টে মাতিছে, মই লগে লগে টিকট কাটি গুচি আহিছোঁ। আমাৰ ভাৰতৰ আইন ব্যৱস্থাৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে। মই সম্পূৰ্ণৰূপে বিশ্বাসী যে যদি কোনোবা দোষী আছে, তেওঁ শাস্তি পাব। জুবিন গাৰ্গ হত্যা গোচৰটোত প্ৰবাসী অসমীয়াসকলে সম্পূৰ্ণ সহযোগিতা কৰি যাব নে বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত পৰীক্ষিত শৰ্মাই কয়- আমি সম্পূৰ্ণ সহযোগিতা কৰি আছোঁ আৰু কৰি যাম। অৱশ্যে বাকী প্ৰবাসীসকল সন্দৰ্ভত প্ৰবাসী অসমীয়াগৰাকীয়ে কয় যে তেওঁলোকৰ কথা তেওঁলোকে ক'ব। মই ক'ব খোজা নাই। গোচৰটো চলাই নিয়াৰ ক্ষেত্ৰত মোৰ পূৰ্ণ সহযোগিতা আছে আৰু আমি সদায় জুবিনদাৰ লগত আছোঁ।

# ১৫-২০ হাজাৰ যুৱক

দীক্ষান্ত সমাৰোহ অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই সমাৰোহতে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ নিবনুৱাসকলৰ বাবে এই সুখবৰ প্ৰদান কৰে। বিগত পাঁচ বছৰত চহাজাৰ আৰক্ষী বিষয়া আৰু জোৱানক স্বচ্ছতাৰে নিয়োগ কৰিবলৈ সক্ষম হোৱাত তেওঁ গৌৰৱ অনুভৱ কৰা বুলি কয়। এই ২১ হাজাৰ আৰক্ষীৰ আগমনে অসম আৰক্ষীক এটা যুৱ বাহিনীলৈ ৰূপান্তৰ কৰিছে। যোৱা পাঁচটা বছৰ ৰাজ্যখনৰ শান্তিপ্ৰগতিৰ বিকাশৰ সময় আছিল বুলি কৈ তেওঁ কয় যে, ২০২১ চনৰ পৰা ২০২৬ চনলৈ পাঁচটা বছৰ অসমত শান্তি আৰু প্ৰগতিৰ এক নতুন দিগন্তৰ সূচনা কৰিবলৈ সক্ষম হয়। ৰাজ্য চৰকাৰে অনাগত পাঁচটা বছৰত দুইলাখ যুৱক-যুৱতীক নিযুক্তি দিয়াৰ সিদ্ধান্তগ্ৰহণ কৰা বুলিও তেওঁ জানিবলৈ দিয়ে। অহা পাঁচ বছৰত ১৫ৰ পৰা ২০ হাজাৰ যুৱক-যুৱতীক আৰক্ষী বিভাগত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হ'ব। অসম আৰক্ষীক এক কেৰিয়াৰ হিচাপে নৱপ্ৰজন্মই বাছি ল'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

# ড্ৰাগছৰ বিৰুদ্ধে অধিক

প্ৰদান কৰি উল্লেখ কৰে যে, নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে যুঁজ অধিক শক্তিশালী কৰাৰ ঘোষণা মুখ্যমন্ত্ৰীৰ। ম্যানমাৰ, বাংলাদেশ অসমৰ সীমাত থকাৰ বাবে নিচাজাতীয় সামগ্ৰীৰ প্ৰত্যাহ্বান বৃদ্ধি পোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, মিজোৰাম, মণিপুৰেৰে নিচাজাতীয় সামগ্ৰীৰ কৰিড'ৰ কৰিছে অপৰাধীয়ে। অৰুণাচলৰ চাংলাঙেৰে তিনিচুকীয়া হৈ লৈছে নিচাজাতীয় সামগ্ৰী সৰবৰাহৰ নতুন পথ। বৰাক উপত্যকা, গোলাঘাট, শিৱসাগৰ, তিনিচুকীয়া, ডিব্ৰুগড়ত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীক কঠোৰ হোৱাৰ নিৰ্দেশ দিয়া হৈছে।

# অসম আৰক্ষীত নতুনকৈ গঠন হ'ব

কয়- আইন-শৃংখলা পৰিস্থিতিৰ অৱনতি ৰোধ কৰাৰ ক্ষেত্ৰত আৰক্ষীক অধিক সক্ষম কৰি তোলাৰ ওপৰত সন্মিলনত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। আনহাতে অপৰাধ অনুসন্ধান আৰু আদালতত অভিযোগ দাখিলৰ ক্ষেত্ৰত অসম আৰক্ষীয়ে লাভ কৰিছে উল্লেখযোগ্য সফলতা। বৰ্তমান ৮০ শতাংশতকৈ অধিক পঞ্জীয়নভুক্ত গোচৰৰ অভিযোগনামা নিৰ্ধাৰিত ৬০ দিন বা ৯০ দিনৰ ভিতৰত আদালতত দাখিল কৰিবলৈ অসম আৰক্ষী সক্ষম হৈছে। একেদৰে অসম আৰক্ষীয়ে অপৰাধ অনুসন্ধান আৰু আদালতত অভিযোগনামা দাখিলৰ ক্ষেত্ৰত অভূতপূৰ্ব সফলতা লাভ কৰিছে। ২০২১ চনত গোচৰ নিষ্পত্তিৰ হাৰ আছিল ৭ শতাংশ, বৰ্তমান গোচৰ নিষ্পত্তিৰ সংখ্যা ২৯ শতাংশলৈ বৃদ্ধি হৈছে। চলিত বৰ্ষত ৩৫ শতাংশলৈ গোচৰ নিষ্পত্তিৰ লক্ষ্য লোৱা হৈছে। আনহাতে অসমত এছডিআৰএফত নতুনকৈ এটা বেটেলিয়ন গঠন কৰা, অইল ইণ্ডিয়া, অ'এনজিচি আদিৰ নিৰাপত্তাৰ দিশলৈ লক্ষ্য ৰাখি অতিৰিক্ত এটা পুলিচ বেটেলিয়ন গঠন কৰাৰ কথা আজি উল্লেখ কৰে। সেই অনুসৰি অসমত নতুনকৈ দুটা পুলিচ বেটেলিয়ন গঠনৰ দিশত আজি আৰক্ষী অধীক্ষক সন্মিলনত সিদ্ধান্ত গ্ৰহণ কৰা হয়। একেদৰে অসম আৰক্ষীত বহুদিন স্থবিৰ হৈ থকা পদোন্নতিসমূহ অতি সোনকালে সম্পন্ন কৰা হ'ব, যাতে অহা বৰ্ষত আৰক্ষীত ৫ হাজাৰতকৈ অধিক পদ পূৰণ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে ইয়াকো উল্লেখ কৰে যে যোৱা ৫ বছৰত ৰাজ্য চৰকাৰে ২১ হাজাৰতকৈ অধিক পদত আৰক্ষীত নিযুক্তি দিয়া হৈছে। এই কাৰ্যকালতো চৰকাৰে ১৫-২০ হাজাৰ নিযুক্তি অসম আৰক্ষীত দিয়া হ'ব। সেই দিশতো সন্মিলনত আলোচনা কৰা হয়। সংবাদ মেলত মুখ্যমন্ত্ৰীয়ে লাচিত বৰফুকন পুলিচ একাডেমী এখন পূৰ্ণাংগ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আৰক্ষী প্ৰশিক্ষণ একাডেমী হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰতো বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰি এই দিশত সন্মিলনত আলোচনা কৰাৰ কথা উল্লেখ কৰে। বিশেষকৈ ঘোঁৰাচালনা, শ্বুটিং ৰেঞ্জ , খেলৰ বিভাগ, কৰ্মচাৰীৰ আৱাসৰ সুবিধাকে ধৰি একাডেমীখনক অধিক আগুৱাই লৈ যোৱাৰ বাবে সন্মিলনত আজি কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই সন্মিলনখন নতুন চৰকাৰৰ বাবে প্ৰথম সন্মিলন আছিল আৰু কেইবাটাও দায়িত্ব আৰক্ষী অধীক্ষকসকলক প্ৰদান কৰা হৈছে। অহা ফেব্ৰুৱাৰী মাহত বঙাইগাঁৱত দ্বিতীয় আৰক্ষী অধীক্ষক সন্মিলন অনুষ্ঠিত হ'ব। ছমাহ বা চাৰি মাহৰ ভিতৰত আৰক্ষী অধীক্ষক সন্মিলনত লোৱা সিদ্ধান্তসমূহ কাৰ্যকৰী কৰা হ'ব।

# লাচিত বৰফুকন পুলিচ একাডেমীত

মহাবীৰ লাচিত বৰফুকনৰ নামত উৎসৰ্গিত আৰক্ষী একাডেমীখন সকলো ফালৰে পৰা সু-সজ্জিত কৰাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিছোঁ আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত এই একাডেমীখনে গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হৈছে।' দেশৰ কেইবাখনো ৰাজ্যই নিজ নিজ আৰক্ষী বাহিনীক এই একাডেমীখনত প্ৰশিক্ষণ প্ৰদানৰ উদ্দেশ্যে অসম চৰকাৰৰ সৈতে যোগাযোগ কৰিছে বুলিও সদৰী কৰি তেওঁ কয় যে অসম আৰক্ষীৰ প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি অসম চৰকাৰে দেশৰ আন ৰাজ্যসমূহৰ আৰক্ষী বাহিনীকো প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰিব যাতে এই একাডেমীখন কেৱল ৰাজ্যিক একাডেমীয়ে নহয়, ৰাষ্ট্ৰীয় স্তৰৰ এখন আৰক্ষী একাডেমী হিচাপে গৌৰৱ অৰ্জন কৰিব পাৰে। কিছুদিন পূৰ্বে শ্বিলঙত অৱস্থিত আছাম ৰেজিমেণ্টৰ প্ৰশিক্ষণ কেন্দ্ৰ ভ্ৰমণকালত প্ৰশিক্ষণ কেন্দ্ৰটোৱে আগবঢ়োৱা আধুনিক প্ৰশিক্ষণৰ বিষয়ে তেওঁ অৱগত হৈছিল বুলি ভাষণত উল্লেখ কৰি তেওঁ অসম আৰক্ষী সঞ্চালকপ্ৰধানক লাচিত বৰফুকন পুলিচ একাডেমীতো যাতে কমাণ্ডো প্ৰশিক্ষণৰ লগতে ভাৰতীয় সামৰিক সেৱাৰ অগ্নিবীৰ পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰিব পৰা যায় সেই উদ্দেশ্যে একাডেমীখন অধিক সু-সজ্জিত কৰিবলৈ পৰামৰ্শ প্ৰদান কৰে। তেওঁ লগতে কয় যে একাডেমীখনৰ নিৰন্তৰ বিকাশৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰু বিভিন্ন ক্ৰীড়াৰ প্ৰশিক্ষণৰ উদ্দেশ্যে প্ৰতিষ্ঠানখনৰ আন্তঃগাঁথনি উন্নীতকৰণৰ ব্যৱস্থা কৰা হৈছে। লাচিত বৰফুকন পুলিচ একাডেমীৰ পৰাই অসম আৰক্ষীৰ '১১২ সেৱা' আৰম্ভ কৰাৰ সিদ্ধান্ত ইতিমধ্যে গ্ৰহণ কৰা হৈছে। আগন্তুক সময়ছোৱাত এই একাডেমীখন ভাৰতীয় সেনাৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সমপৰ্যায়ৰ এখন প্ৰতিষ্ঠান হিচাপে গঢ় লৈ উঠিব। ইয়াৰ পৰিপ্ৰেক্ষিততে মুখ্যমন্ত্ৰী ড° শৰ্মাই দীক্ষান্ত সমাৰোহত উপস্থিত থকা বিষয়া তথা জোৱানসকলক তেওঁলোকৰ পৰা সমাজ, চৰকাৰ আৰু পৰিয়ালে যিবোৰ প্ৰত্যাশা কৰিছে সেইসমূহ পূৰণ কৰিবলৈ পেছাদাৰী উৎকৰ্ষতা আৰু সততাৰ সৰ্বোচ্চমানদণ্ড বজাই ৰাখিবলৈ আহ্বান জনায়। তেওঁলোকে দায়িত্ব পালনৰ সময়ত সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ মাজত সাহস, দৃঢ়তা, নিষ্ঠা, সততা, প্ৰতিশ্ৰুতি আৰু দায়বদ্ধতাৰে সমাজৰ প্ৰতি সেৱা আগবঢ়াই যাব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে ম্যানমাৰ, বাংলাদেশ আদিৰ দৰে ৰাষ্ট্ৰৰ সৈতে অসমৰ সীমা সংলগ্ন হৈ আছে। ইয়াৰ ফলত ৰাজ্যখনে আইন-শৃংখলাৰ নিৰন্তৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈ থাকিব লাগিব। অসমত অপৰাধ নিয়ন্ত্ৰণৰ উপৰি অৰ্থনৈতিক অপৰাধ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দি নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাও অসম আৰক্ষীয়ে সুনিশ্চিত কৰিব লাগিব। অসম আৰক্ষীৰ এই দিশত উল্লেখনীয় সেৱাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ পৰা 'ৰাষ্ট্ৰপতিৰ নিচান'ৰ দৰে বিশেষ সন্মান লাভ কৰাৰ কথাও তেওঁ উল্লেখ কৰে। বিগত পাঁচ বছৰত ৩, ২৫৩ কোটিতকৈ অধিক টকাৰ ড্ৰাগছ জব্দ কৰাৰ লগতে ইয়াৰ সৈতে জড়িত ২৬, ৫৩৭জন লোকক অসম আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হৈছে। অসম আৰক্ষীয়ে কৃত্ৰিম বুদ্ধিমত্তা, চাইবাৰ অপৰাধ, ফৰেনছিক সামৰ্থ্য আদিৰ দিশত অধিক জ্ঞান আহৰণ কৰি নতুন ধৰণৰ অপৰাধৰ সৈতে যুঁজিবলৈ সক্ষম হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম আৰক্ষীয়ে ইতিমধ্যে গুৱাহাটীৰ ফৰেনছিক বিজ্ঞান পৰীক্ষাগাৰ, গান্ধীনগৰৰ ৰাষ্ট্ৰীয় ফৰেনছিক বিশ্ববিদ্যালয় আৰু হায়দৰাবাদৰ চেণ্টাৰ ফৰ ডিএনএ ফিংগাৰপ্ৰিন্ট এণ্ড ডায়েগ্ন'ষ্টিকছৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে আৰু বিষয়া তথা জোৱানসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। ৰাজ্যৰ মহিলা সমাজক যিকোনো অপৰাধৰ পৰা সুৰক্ষিত কৰিবলৈ তেওঁ শূন্য সহনশীল নীতি ল'বলৈ আহ্বান জনায়। তেওঁ কয় যে মহিলাৰ সুৰক্ষাৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰতে এখন অদ্বিতীয় ৰাজ্যত পৰিণত হ'ব লাগিব। তদুপৰি, বাল্যবিবাহ, বহুবিবাহ আদিৰ দৰে অপৰাধৰ সৈতে জড়িত ঘটনাৰ বিৰুদ্ধে অসম আৰক্ষীয়ে ধাৰাবাহিক পদক্ষেপ গ্ৰহণ কৰিব লাগিব। শিশু আৰু মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধ অহা পাঁচ বছৰত সম্পূৰ্ণৰূপে ৰোধ কৰি অসমক দেশৰ ভিতৰতে সামাজিক ন্যায়ৰ ভিত্তিত প্ৰতিষ্ঠিত এখন ৰাজ্য হিচাপে অসম আৰক্ষীয়ে প্ৰতিষ্ঠিত কৰিব লাগিব বুলিও তেওঁ কয়। এই অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰা, মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক বিশ্বজিৎ ফুকন আৰু মৃদুল দত্তৰ উপৰি আৰক্ষী সঞ্চালক প্ৰধান হৰমিট সিং, গৃহ বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় শংকৰ তিৱাৰীকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

# শিক্ষামন্ত্ৰীৰ উপস্থিতিত ৬ প্ৰতিষ্ঠানৰে

এআইৰ দ্বাৰা চালিত শিক্ষামূলক সঁজুলিৰ সুবিধাৰে পাঠদান কৰোৱা। এই পদক্ষেপত অসমীয়া, বাংলা, বড়ো, হিন্দী আৰু ইংৰাজীকে ধৰি আঞ্চলিক ভাষাৰ স্থানীয় প্ৰশিক্ষণ বিষয়বস্তু অন্তৰ্ভুক্ত কৰা হ'ব। এই প্ৰশিক্ষণত শিক্ষা বিজ্ঞান, পাঠ্য পৰিকল্পনা আৰু প্ৰশাসনিক কামৰ বাবে এআইৰ ফলপ্ৰসূ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। গুগলে পেছাদাৰী বিকাশ শক্তিশালী আৰু গুণগত ৰূপায়ণ নিশ্চিত কৰিবলৈ এছচিইআৰটি আৰু ডিআইইটিকে ধৰি ৰাজ্যখনৰ বৰ্তমানৰ শিক্ষক-প্ৰশিক্ষণ আন্তঃগাঁথনিৰ সৈতে সহযোগিতা কৰিব। একেদৰে আইআইটি মাদ্ৰাজে শিক্ষকসকলৰ মাজত এআই দক্ষতা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। এই লক্ষ্যৰে প্ৰতিষ্ঠানটোৱে ২০২৭ চনৰ মে' মাহৰ ভিতৰত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ প্ৰায় এক লাখ শিক্ষকক বিশেষ প্ৰশিক্ষণ দিব। এই প্ৰশিক্ষণৰ লগতে শিক্ষকসকলক তুলি দিয়া হ'ব এখন হাতপুথি আৰু এআইৰ সঁজুলিৰ সুবিধা। আৰম্ভণিতে ৪০জন বিশেষজ্ঞ শিক্ষকক মাষ্টাৰ্ছ ট্ৰেইনাৰ ৰূপে প্ৰশিক্ষণ দিয়া হ'ব আৰু এই মাষ্টাৰ্ছ ট্ৰেইনাৰে পৰৱৰ্তী সময়ত আন শিক্ষকসকলক প্ৰশিক্ষণ দিব। এলইএছএইচ-ৰাধাৰনী এআইৰ অংশীদাৰিত্বৰ লক্ষ্য হৈছে চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পঠন সাৱলীলতাৰ এআই সক্ষম মূল্যায়ণৰ জৰিয়তে মৌলিক স্বাক্ষৰতা শক্তিশালী কৰিব। আনহাতে এডুকেটেড গাৰ্লছ হৈছে গ্ৰাম্য আৰু শৈক্ষিকভাৱে দুৰ্বল ছাত্ৰী অথবা যুৱতীসকলৰ শিক্ষাৰ সুবিধা উন্নত কৰাৰ এক প্ৰক্ৰিয়া। ২০০৭ চনৰ পৰা এডুকেটেড গাৰ্লছে ৰাজ্য চৰকাৰসমূহৰ সৈতে অংশীদাৰিত্ব কৰি বিদ্যালয় এৰা ছোৱালীসকলক চিনাক্ত কৰি তেওঁলোকক পুনৰ বিদ্যালয়ত নামভৰ্তি কৰোৱাৰ লগতে বিদ্যালয় শিক্ষাৰ দ্বাৰা আগুৱাই নিয়া কামত ব্ৰতি হৈ আছে। মুখ্যতঃ অসম ৰাজ্যিক মুক্ত বিদ্যালয় আৰু ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় প্ৰতিষ্ঠানৰ জৰিয়তে ১৫-১৮ বছৰ বয়সৰ বিদ্যালয় এৰা ছাত্ৰীসকলক চিনাক্ত কৰি পুনৰ বিদ্যালয়ত নামভৰ্তি কৰাৰ লগতে তেওঁলোকক বিভিন্ন ধৰণে সহায় আগবঢ়াব। এই প্ৰসংগত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সংবাদ মেলত কয়- কৃত্ৰিম বুদ্ধিমত্তা বা এআই আমাৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে। জ্ঞাত বা অজ্ঞাতভাৱে আমি ইয়াৰ ব্যৱহাৰ কৰি আছোঁ। অসম চৰকাৰে এক সিদ্ধান্ত গ্ৰহণ কৰিছে যে এআইৰ জৰিয়তে শিক্ষাৰ ক্ষেত্ৰ শক্তিশালী কৰা হ'ব। এই উদ্দেশ্যে বিদ্যালয় শিক্ষা বিভাগত কিছু পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিশেষকৈ শিক্ষকৰ মাজত সৰ্বাধিক গুৰুত্ব দিয়া হৈছে তেওঁলোকৰ দক্ষতা বৃদ্ধি কৰাৱো। শিক্ষকসকলক ইয়াৰ বাবে বিশেষভাৱে প্ৰশিক্ষণ দিয়াৰ লগতে পাঠ্যক্ৰমৰ বিভিন্ন দিশ ডিজিটেল কন্টেন্ট ক্ৰিয়েট কৰাৰলৈকে এআইসমূহ ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ বাবে আইআইটি মাদ্ৰাজে বিশেষ এক প্লেটফৰ্ম সাজু কৰিছে। সেয়া হৈছে বোধন এআই। বোধন এআইৰ মূল কথা হৈছে শিক্ষকসকলৰ দক্ষতা কিদৰে বৃদ্ধি কৰা হ'ব। ইয়াৰ বাবে এক লাখ শিক্ষকক বিশেষভাৱে প্ৰশিক্ষিত কৰি তোলা হ'ব। একেদৰে গুগল এআই শিক্ষকসকলে কিদৰে ব্যৱহাৰ কৰিব সেই দিশত সহায় কৰিব।

# ৰাইজৰ দলৰে মিত্ৰতা ভংগ

গগৈৰ নিৰ্দেশক্ৰমে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে । এই সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক (সাংগঠনিক) ৰামান্না বৰুৱাৰ স্বাক্ষৰ সম্বলিত এক গুৰুত্বপূৰ্ণ সাংগঠনিক চাৰ্কুলাৰ বৃহস্পতিবাৰে আনুষ্ঠানিকভাৱে জাৰি কৰা হয় । চাৰ্কুলাৰখনত কোৱা হৈছে, "বিগত লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ পূৰ্বে সাম্প্ৰদায়িক শক্তিসমূহৰ বিৰুদ্ধে ঐক্যবদ্ধ হৈ যুঁজ দিয়া আৰু ৰাইজৰ মাজলৈ এক স্পষ্ট বাৰ্তা প্ৰেৰণ কৰাৰ লক্ষ্যৰে কংগ্ৰেছে ৰাইজৰ দলসহ কেইবাটাও আঞ্চলিক আৰু বাওঁপন্থী সৰ্বভাৰতীয় দলক একত্ৰিত কৰি নিৰ্বাচনী মিত্ৰজোঁট গঠন কৰিছিল । কিন্তু অতি দুৰ্ভাগ্যজনকভাৱে এই দীৰ্ঘ সময়ছোৱাত ৰাইজৰ দলৰ নেতৃত্বই মিত্ৰজোঁটৰ নীতি-নিয়ম আৰু মৰ্যাদা উলংঘা কৰি কংগ্ৰেছ দলৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে ভুৱা অপপ্ৰচাৰ আৰু চৰিত্ৰহননৰ নিকৃষ্ট ৰাজনীতিত লিপ্ত হৈ পৰে। কেৱল সেয়াই নহয়, বিৰোধী মিত্ৰজোঁটত চামিল থকা অন্যান্য অংশীদাৰ দলসমূহৰ শীৰ্ষ নেতৃবৰ্গৰ বিৰুদ্ধেও ৰাইজৰ দলৰ নেতৃত্বই বিভিন্ন সময়ত ভিত্তিহীন, অনাকাংক্ষিত আৰু অসন্মানজনক মন্তব্য প্ৰদান কৰি মিত্ৰতাৰ মৌলিক আচাৰ-নীতিক বাৰে বাৰে আঘাত হানিছে।" মিত্ৰজোঁটৰ এনে ধৰণৰ চৰম নীতিবিৰোধী আচৰণৰ পৰিপ্ৰেক্ষিতত ৰাইজৰ দলৰ সৈতে ভৱিষ্যতে ৰাজনৈতিক সম্পৰ্ক বাহাল ৰখাটো আৰু কোনোপধ্যেই সম্ভৱপৰ নহয় বুলি কংগ্ৰেছ দলে স্পষ্ট কৰি দিছে । ইফালে মিত্ৰতা ভংগ হ'লেও কংগ্ৰেছ নিজৰ লক্ষ্যত অটল থাকিব বুলি দলটোৱে সদৰী কৰিছে । দলটোৱে পূৰ্বৰ দৰেই সাধাৰণ ৰাইজৰ প্ৰতিটোজ্য লন্ত সমস্যা আৰু স্বাৰ্থজড়িত বিষয় সজোৰে উত্থাপন কৰি যাব আৰু বৰ্তমানৰ বিজেপি চৰকাৰখনৰ জনবিৰোধী কাম-কাজ, অন্যায় নীতি আৰু অপশাসনৰ বিৰুদ্ধে কঠোৰ গণতান্ত্ৰিক জবাবদিহিতা অব্যাহত ৰাখিব বুলি দৃঢ়তাৰে ঘোষণা কৰিছে। উল্লেখ্য যে কেইদিনমান পূৰ্বে ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে কংগ্ৰেছ দলক কঠোৰ ভাষাৰে সমালোচনা কৰাৰ লগতে কংগ্ৰেছক 'ভ্ৰষ্টাচাৰী দল' আখ্যা দিছিল ।

# মহানগৰীৰ নেমকেয়াৰ হাস্পতালত

চিকিৎসকগৰাকীয়ে ৬ বছৰ পূৰ্বে চিকিৎসালয়খনত যোগদান কৰিছিল। মাজত কিছুদিনৰ বিৰতিৰ পিছত প্ৰায় ছমাহ পূৰ্বে তেওঁ পুনৰ চিকিৎসালয়খনত যোগদান কৰিছিল। ইফালে ঘটনা সংক্ৰান্তত নেমকেয়াৰ হাস্পতালৰ পৰিচালন সঞ্চালক ডাঃ হিতেশ বৰুৱাই জনায়- মঙলবাৰে তেওঁৰ নাইট ডিউটী আছিল। নাইট ডিউটী থকাৰ কাৰণে তেওঁ অহা নাছিল। নাইট ডিউটীলৈ আহিয়েই তেওঁ আমাৰ ছিষ্টাৰক কৈছিল যে তেওঁৰ পেটটো বিষাই আছে, বমি বমি লাগি আছে। তেওঁ নিজে কেনুলা লৈছে। কেনুলাৰ জৰিয়তে আইভি কৰি ল'ম বুলি কৈ তেওঁ কক্ষত সোমায় আৰু নাৰ্ছক জনায় যে তেওঁৰ বাকী থকা কামখিনি পিছত কৰিব। তেওঁ অলপ জিৰণি ল'ব বিচাৰিছে। ডাঃ প্ৰয়াস সিংহলৰ মৃত্যুত মৰ্মাহত হোৱাৰ কথা উল্লেখ কৰি ডাঃ হিতেশ বৰুৱাই কয়-চিকিৎসকগৰাকী ছিঞ্চিয়াৰ আছিল। কিন্তু তাৰ পাছনেল লাইফত কিবা আছে যদি মই নাজানো। সেইটো আমি ক'বও নোৱাৰোঁ আৰু নাজানোও। গতিকে সেইটো তদন্তত নিশ্চয় ওলাব বা লাহে লাহে আমি কথাটো গম পাম। এইক্ষেত্ৰত চৰকাৰ বা আৰক্ষীক যিমানখিনি সহায়-সহযোগ কৰিব লাগে, আমাৰ ফালৰ পৰা কৰিম। মৃতদেহটো দেখাৰ লগে লগে আমি আৰক্ষীক জনালোঁ। আৰক্ষী আহিল আৰু লগে লগে তেওঁলোকে চিআইডিকো মাতিলে। চিআইডিৰ আৰক্ষী আহি প্ৰাথমিক তদন্ত কৰিলে আৰু সমগ্ৰ ঘটনাটো কেনেকৈ হ'ল তাৰ কাৰণ তদন্তৰ অন্তত ওলাব। চিকিৎসকজনে আত্মহত্যা কৰিছে নে আন কিবা কাৰণত মৃত্যু হৈছে সেয়া মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনতহে পোহৰলৈ আহিব বুলি তেওঁ সদৰী কৰে।

# দেশৰ প্ৰথমটো আৰ্থ

ইমেজিং ছেটেলাইট ইঅ'এছ-০৫ক সফল আৰু নিখুঁতভাৱে পূৰ্ব নিৰ্ধাৰিত কক্ষপথত স্থাপন কৰিছে।' জিএছএলভি মিছন ডাইৰেক্টৰ থমাছ কুৰিয়ানে জনাই যে জিএছএলভিৰ জৰিয়তে জিটিঅ' বা ছাব-জিটিঅ' কক্ষপথত উৎক্ষেপণ কৰা এইটোৱেই আটাইতকৈ গধুৰ উপগ্ৰহ। তেওঁৰ ভাষাত 'জিএছএলভিৰ ১৯সংখ্যক মিছন সাফল্যমণ্ডিত।' ইছৰোৰ ভাণ্ডাৰত ডেৰ ডজনৰো অধিক কমিউনিকেচন ছেটেলাইট থাকিলেও জিছেট-ৰএৰ দৰে নিৰীক্ষণকাৰী উপগ্ৰহ এয়াই প্ৰথম নিৰ্মাণ কৰিছে তেওঁলোকে। উৎক্ষেপণৰ পিছত ইঅ'এছ-০৫ক ছাব-জিটিঅ'ত স্থাপন কৰা হৈছে। পৰৱৰ্তী কক্ষপথ উন্নয়ন প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰায় ৩৬ হাজাৰ কিলোমিটাৰ উচ্চতাৰ ভূস্থিৰ কক্ষপথৰ (জিঅ'ষ্টেচনাৰী অৰবিট-এই কক্ষপথত থকা কৃত্ৰিম উপগ্ৰহ বা ছেটেলাইটসমূহে পৃথিৱীৰ আৱৰ্তনৰ গতিৰ সৈতে তাল মিলাই একেই গতিৰে ঘূৰে, যাৰফলত পৃথিৱীৰ পৰা দেখিলে ধাৰণা হয় উপগ্ৰহটো আকাশৰ কোনো এক স্থানত স্থিৰ হৈ আছে) পৰা ভাৰতৰ সীমা আৰু ভূ-খণ্ডত ২৪ ঘণ্টাই নিৰীক্ষণ চলাই থাকিব।

# ডিব্ৰুগড়ৰ নিৰেণ

ফুকনে লাভ কৰা এই সন্মানে ডিব্ৰুগড় জিলাৰ ক্ৰীড়া জগতলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে জিলাখনৰ ক্ৰীড়াৰ সৈতে জড়িত খেলুৱৈ, প্ৰশিক্ষক আৰু ক্ৰীড়াপ্ৰেমীসকলকো উৎসাহিত কৰিছে। তেওঁৰ এই কৃতিত্বক লৈ ডিব্ৰুগড়ৰ বিভিন্ন ক্ৰীড়া সংগঠন, দল-সংগঠন আৰু ক্ৰীড়াপ্ৰেমী মহলে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। দীৰ্ঘদিন ধৰি ক্ৰীড়াৰ প্ৰসাৰ আৰু খেলুৱৈ গঢ়াৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে জড়িত নিৰেণ ফুকনৰ এই স্বীকৃতি আগন্তুক দিনত ডিব্ৰুগড়ৰ ক্ৰীড়া ক্ষেত্ৰখনক অধিক শক্তিশালী আৰু গতিশীল কৰি তোলাত অনুপ্ৰেৰণা যোগাব বুলি ক্ৰীড়াপ্ৰেমী মহলে আশা প্ৰকাশ কৰিছে।

# বিটিচি উপ-নিৰ্বাচনত

সদস্য হাগ্ৰামা মহিলাৰীয়ে স্পষ্ট কৰি দিয়ে যে আগন্তুক উপ-নিৰ্বাচনত দুয়োটা দলৰ মাজত আসন বুজাবুজি হ'ব। বৰ্তমান বিজেপিৰ দখলত থকা সমষ্টিসমূহত বিজেপিৰ প্ৰাৰ্থীয়েই প্ৰতিদ্বন্দ্বিতা কৰিব বুলিও তেওঁ কয়। ইফালে ইউ পিপি এল দলক তীব্ৰ সমালোচনা কৰি বিপিএফ আৰু অৰুণোদয় আঁচনিক লৈ অনা ছিণ্ডিকেট তথা দুৰ্নীতিৰ অভিযোগ সম্পূৰ্ণভাৱে খণ্ডন কৰে মহিলাৰীয়ে। তেওঁ কটাক্ষ কৰি কয় যে ইউ পি পি এলে কেৱল 'ন' বড়োলেণ্ড ন' ৰেষ্ট' আৰু 'ডিভাইড আছাম ৫০-৫০' ধৰণৰ শ্লʼগান দি থাকিবহে পাৰিব, কাম একো কৰিব নোৱাৰে। আজিৰ এই বৈঠকত বিজেপি আৰু বিপিএফ দুয়োটা দলৰে কেইবাগৰাকীও বিধায়ক, বিটিচিৰ কাৰ্যবাহী সদস্য, পৰিষদীয় সদস্য, জিলা সমিতিৰ সভাপতি-সম্পাদকসকলৰ লগতে দুয়োটা দলৰে জ্যেষ্ঠ নেতাসকল উপস্থিত থাকে।

# ডিব্ৰুগড়ৰ ডিব্ৰু

নোৱাৰি আৰু এজনৰ ৰক্তদানে একোটা মানব জীৱন ৰক্ষা কৰে। ডাঃ শ্ৰুতিকৰে লগতে কয় যে ৰেডক্ৰছ ছ'চাইটিৰ দুৰ্দশাগ্ৰস্ত লোকক সহায় কৰাৰ এক দীৰ্ঘদিনীয়া মানৱীয় দায়বদ্ধতা আছে আৰু স্বেচ্ছামূলক ৰক্তদানৰ প্ৰসাৰ এই দায়বদ্ধতাৰ এক গুৰুত্বপূৰ্ণ অংশ। অসম চিকিৎসা মহাবিদ্যালয়ৰ ৰক্ত সঞ্চয় বিভাগৰ চিকিৎসক বিষয়া ডাঃ জাহ্নৱী চেতিয়াই ৰক্তদানৰ বিভিন্ন দিশৰ বিষয়ে বিতংভাৱে ব্যাখ্যা কৰে। তেওঁ উপযুক্ত চিকিৎসা পৰ্যবেক্ষণৰ অধীনত ৰক্তদান এক নিৰাপদ প্ৰক্ৰিয়া বুলি স্পষ্ট কৰাৰ লগতে সম্ভাব্য ৰক্তদাতাসকলৰ মনত থকা বিভিন্ন সন্দেহ আৰু ভুল ধাৰণাও দূৰ কৰে। ছ'চাইটিৰ উপ-সভাপতি ডাঃ মহেশ কুমাৰ জৈনে মানৱীয় কাৰ্যসূচীসমূহত জনসাধাৰণৰ অংশগ্ৰহণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু সাধাৰণ ৰাইজক স্বেচ্ছামূলক ৰক্তদানৰ বিভিন্ন কাৰ্যসূচীত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। মুকলি প্ৰশ্নোত্তৰ শিতানত ছাত্ৰ-ছাত্ৰী সকলৰ লগতে উপস্থিত সকলে ৰক্তদান সম্পৰ্কে বিভিন্ন প্ৰশ্ন উত্থাপন কৰে আৰু বক্তাসকলে তেওঁলোকৰ প্ৰশ্নসমূহৰ উত্তৰ দি সন্দেহ দূৰ কৰাৰ লগতে স্বেচ্ছামূলক ৰক্তদানৰ বাৰ্তা পৰিয়াল, বন্ধু-বান্ধৱ আৰু সমাজৰ মাজত প্ৰচাৰ কৰিবলৈ উৎসাহিত কৰে। এই ৰক্তদান শিবিৰত সৰ্বমুঠ ২৫ ইউনিট ৰক্ত সংগ্ৰহ কৰি ৰক্ত সঞ্চয় বিভাগৰ তত্ত্বাৱধানত জমা দিয়া হয়। ইয়াৰে ২০জন ছাত্ৰ আৰু ৫ গৰাকী ছাত্ৰী আছিল। ৰেডক্ৰছ ছ'চাইটি আৰু ডিব্ৰু মহাবিদ্যালয়ৰ যুটীয়া উদ্যোগত আয়োজন কৰা এই শিবিৰত সমীৰ শৰ্মা, কল্যাণী বৰুৱা, প্ৰদীপ দেৱগোস্বামী, আনন্দ কেজৰিৱাল আৰু জ্যোতি প্ৰসাদ ভট্টাচাৰ্য ও উপস্থিত থাকে।

## ENGLISH NEWS SECTION

# Governor Shri Acharya felicitates Assam's senior-most retired primary teacher on Teachers' Day



Guwahati,RB News: In a fitting tribute to his life-long dedication to teaching, Assam Governor Shri Lakshman Prasad Acharya on the occasion of Teachers' Day, felicitated 95-year-old Shri Prafulla Kumar Borthakur, the senior-most retired primary school teacher of Assam, at a programme held at his residence in Jamugurihat. The felicitation was part of the 'Governor Assam Varishtha Shikshak Samman' initiative, under which the Governor had directed all District Commissioners to honour the oldest retired primary school teacher in their respective districts on the occasion of Teachers' Day in recognition of their life- long service to the cause of education. Sharing his views on the occasion, Governor Shri Acharya highlighted the invaluable contribution of teachers in shaping generations and strengthening the intellectual and social fabric of the nation. He said that respecting and honouring teachers has always been an integral part of India's rich heritage and tradition. Referring to Shri Prafulla Kumar Borthakur's long journey as an educator, the Governor said that he had witnessed the transformation of several generations and that the values, knowledge and confidence imparted by him have left an enduring impression on the lives of his students. "This is the greatest legacy of a teacher," he remarked. The Governor said that as Assam and the nation move towards the vision of 'Viksit Bharat', teachers have a vital role to play in nurturing knowledgeable, responsible, compassionate and socially conscious citizens. He emphasised that quality education and the holistic development of students must remain the foremost priority of the teaching community. He also lauded the teachers for their dedicated contribution to various public initiatives and responsibilities, even as they continue to discharge their primary duty of shaping and educating future generations.

# Governor visits Shri Shri Shiyala Vaishnav Deomornoi Satra, attends Janmashtami utsav

Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya visited the historic Shri Shri Shiyala Vaishnav Deomornoi Satra in Darrang district and attended the celebrations of Sri Krishna Janmashtami. Addressing the devotees on the occasion, Governor Shri Acharya said that Darrang is deeply enriched by Assam's historical and spiritual heritage, recalling its long association with the Vaishnavite movement and the historic Battle of Patharughat. Extending his greetings to all devotees on the occasion of Janmashtami, Shri Acharya highlighted the profound influence of Mahapurush Srimanta Sankardeva in carrying the philosophical values of Lord Krishna, which are righteousness, devotion, love, welfare and human upliftment and their importance in the socio-cultural life of Assam. He said that Sankardeva's inclusive vision of social harmony and human unity remains highly relevant today. Describing Satras and Naamghars as 'schools of our culture, centres of our spiritual consciousness, custodians of our art and cultural heritage, and pillars of social harmony," the Governor said their important role in preserving Assam's cultural identity and keeping the younger generation connected with its roots is immense. The Governor stressed the need to harmonise modern development with cultural heritage, referring to the Prime Minister Shri Narendra Modi's vision of 'Vikas Bhi Aur Virasat Bhi.' He said that the initiatives for the development and preservation of Batadrava Than Cultural Project, Maa Kamakhya Temple Access Corridor and the legacy of Lachit Borphukan reflect Assam's commitment to advancing both development and heritage.



# India beat Indonesia 14-0 In AHF Junior Asia Cup Opener



RB News:India's Junior Men's Hockey Team began their defence of the AHF Junior Asia Cup title with a commanding 14-0 victory against Indonesia in their opening Pool A match in Moqi, China, on Saturday. Captain Anmol Ekka, Prabhdeep Singh and Ajeet Yadav spearheaded the emphatic performance, scoring 12 goals between them as the five-time champions immediately stamped its authority on the tournament. Prabhdeep was the most prolific scorer of the day, finding the net five times to earn the 'Player of the Match' award, while skipper Anmol contributed four goals and Yadav scored thrice for his hat-trick. Harpal and Ashu Maurya accounted for the other two goals. Indonesia struggled to cope with the pace and movement of the Indian attack. Meanwhile, India defeated South Korea 4-1 in their Women's Hockey Junior Asia Cup 2026 opener.

# Satwik-Chirag enter China Masters semi-finals for 4th straight time



RB News: Indian men's badminton duo Satwiksairaj Rankireddy and Chirag Shetty entered their fourth-straight semifinal at China Masters, a BWF World Tour Super 750 event in Shenzhen, after beating Denmark's Kim Astrup and Anders Skaarup Rasmussen 21-13, 16-21, 21-18 on Friday.It was their fifth win in 11 meetings against the Danes and their first meeting since 2024. Satwik and Chirag needed an hour and 10 minutes to overcome the experienced Danish pair, bouncing back from behind in the deciding game to reach the semi-finals of the prestigious Super 750 tournament in Shenzhen for the fourth successive time. The fourth seeds will next face the Malaysian pair of Nur Azriyn and Tan Wee Kiong .

# চুবুৰীয়া ৰাষ্ট্ৰ নেপালত মহাপ্লাৱনৰ কাৰণঃ এক চমু বিশ্লেষণ

**এম হাছিম আলী**

চুবুৰীয়া প্ৰতিবেশী ৰাষ্ট্ৰ নেপালত কেনেকৈ ইমান ডাঙৰ আকাৰৰ দুৰ্যোগ ঘটি গ'ল, তাক লৈ স্বাভাৱিকভাৱেই বহুতে প্ৰশ্ন উত্থাপন কৰিছে। শিৱসাগৰ, চৰাইদেউৰ দৰে একে আকস্মিক ঘটনা। মুহূৰ্তৰ ভিতৰতে এই মহাপ্লাৱনৰ সৰ্বনাশ কাণ্ড। কোনোৱে তলকিবই নোৱাৰিলে। এই বিপদ এবাৰ নহয়, আগন্তুক দিনত আৰু ঘটিব পাৰে এনে আশংকাও প্ৰকাশ কৰিছে বিশেষজ্ঞ সকলে। নেপালৰ ভোট কোশী নদীত ভয়াবহ আকস্মিক বানৰ (Flash flood) আঁৰত হিমবাহ স্খলন আৰু বৰফ-শিলৰ বিশাল খহনীয়া সোঁতে কাম কৰিছে নে নাই- তাক পৰীক্ষা কৰি চাইছে ভূ-বিজ্ঞানীসকলে। প্ৰাথমিক পৰ্যায়ত উপগ্ৰহৰ ছবি বিশ্লেষণ কৰি ওলাই পৰিছে যে বিপুল পৰিমাণৰ শিল আৰু বৰফে লেন্দে নদীৰ গতিপথ সাময়িকভাৱে বন্ধ কৰি দিছিল। ইয়াৰ ফলত তাত অস্থায়ী প্ৰাকৃতিক বান্ধ সৃষ্টি হৈ পানী জমা হ'বলৈ ধৰে। পিছত সেই বান্ধ ভাঙি যোৱাৰ বাবে হেনো বোকা-মাটি, শিল আৰু পানীৰ প্ৰবল সোঁত নামি আহি ভোট কোশী নদীত ভয়াবহ বানৰ সৃষ্টি কৰে বুলি বিজ্ঞানীসকলৰ একাংশই অনুমান কৰিছে। আকস্মিক বানৰ ধ্বংসলীলা দেখা গৈছিল ভোট কোশী আৰু লেন্দে নদীত। লেন্দে হ'ল ভোট কোশীৰ এখন শাখা নদী।

এই দুৰ্যোগৰ আঁৰত চীনৰ নিৰ্মাণৰত বিশাল নদী-বান্ধ ভাঙি যোৱাটোও এটা কাৰণ বুলি ধাৰণা কৰিছে একাংশ গবেষকে। চীনে হিমালয়ৰ তিব্বত অংশত বিশাল বিশাল 'জলবোমা' (Hydro-electric dams) তৈয়াৰ কৰি জলবিদ্যুৎ উৎপাদনৰ চাহিদা পূৰণ কৰিছে। ইয়াৰ ফলত মাজে মাজে দুৰ্যোগ নামি আহিছে নিম্ন অৱবাহিকা অঞ্চলত। নেপাল তাৰ পৰা মুক্ত নহয়। একেই সমস্যা বৈছে উত্তৰ-পূৰ্বাঞ্চলত ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি। ব্ৰহ্মপুত্ৰৰ উজানিত তিব্বতৰ ইয়াৰলুং চাংপোত বিশাল বান্ধ নিৰ্মাণ কৰিছে চীনে। তাত কিবা দুৰ্যোগ ঘটিলে অসম-অৰুণাচল প্ৰদেশেও তাৰ পৰা ৰেহাই নাপাব। আকৌ তিব্বতৰ পৰা উৎপত্তি হোৱা ভয়াবহ আকস্মিক বানত নেপাল আৰু চীনত বহু প্ৰাণহানিৰ পিছত পোহৰলৈ আহিছে পূৰ্বসতৰ্কবাৰ্তা দিয়াৰ প্ৰশ্ন। চীনৰ ভূখণ্ডৰ পৰা দুৰ্যোগৰ সূত্ৰপাত হৈ থাকিলে, অথবা আগেয়ে সতৰ্কবাৰ্তা পালে নেপালৰ সীমান্তৱৰ্তী আৰু নদীৰ নিম্ন অৱবাহিকাত বসবাস কৰা মানুহখিনিক সুৰক্ষিত স্থানলৈ আঁতৰাই নিয়া সম্ভৱ হ'লহেঁতেন নে নাই, তাক লৈ প্ৰশ্ন উঠিছে। নেপালৰ বিভিন্ন ফালৰ পৰা চীনৰ ফালে আঙুলি তোলা হৈছে যদিও চীনে পোনপটীয়াকৈ সেই অভিযোগ খণ্ডন কৰিছে।

চীনা কৰ্তৃপক্ষৰ দাবী, বানপানীৰ আগতে নেপালক সতৰ্ক কৰা হোৱা নাছিল-এয়া এক প্ৰচাৰ ভুৱা। নেপালৰ কৰ্তৃপক্ষৰ অভিযোগ, সীমান্তৱৰ্তী অঞ্চলত খৰস্ৰোতা নদীৰ ওপৰত নেপাল আৰু চীনে নিৰ্মাণ কৰা বান্ধ সংলগ্ন অঞ্চলসমূহৰ পৰা লোক সকলক আঁতৰাই নিয়া হৈছিল। এই বিপৰ্যয়ক লৈ দুয়োখন দেশৰ মাজত তথ্য আদান- প্ৰদানৰ বুজাবুজিৰ কথাও পোহৰলৈ আহিছে। অৱশ্যে চীনৰ দাবী সম্পূৰ্ণ সুকীয়া। চীনৰ ভাষ্য অনুসৰি, ২৬ আগষ্টৰ ৰাতিপুৱা নেপালৰ ফালেই ভূমিস্খলন বা ভূমিস্খলনসদৃশ ঘটনা ঘটে। তাৰ ফলতেই এক বিশাল প্ৰাকৃতিক বান্ধ গঢ়ি উঠে আৰু নদীৰ প্ৰৱাহ মাৰ্গৰ লগতে সীমান্ত অঞ্চলৰ চীন আৰু নেপাল দুয়োফালেই ব্যাপক ক্ষয়-ক্ষতি আৰু জলমগ্নতাৰ ঘটনা ঘটে। বিপৰ্যয় ঘটিল যদিও বিপদ এতিয়াও কমা নাই। নেপালৰ ভেকতাখোলা আৰু সুৰকা নদীৰ সংগমস্থলৰ ওচৰত এটা বিশাল প্ৰাকৃতিক জলাশয় সৃষ্টি হৈছে।



এই প্ৰাকৃতিক বান্ধ ভাঙি নতুনকৈ বানপানীৰ আশংকাই দেখা দিছে। এই সংকটৰ বাবে পাহাৰৰ ওপৰত অবাধ নিৰ্মাণ কাৰ্য, পাহাৰ কটা আৰু গছ- গছনি ধ্বংস কৰাটোৱেই দায়ী। নদীৰ কাষে কাষে যিদৰে বেপৰোৱাভাৱে ডাঙৰ ডাঙৰ কোম্পানীৰ নিৰ্মাণ কাৰ্য চলিছে, ৰাস্তা বনাবলৈ যিদৰে অপৰিকল্পিতভাৱে পাহাৰ কটা হৈছে, তাৰ ফলত পাহাৰৰ শক্তি দুৰ্বল হৈ পৰিছে। ইয়াৰ বাবেই কম এলেকাৰ ভিতৰতে প্ৰাকৃতিক বিপৰ্যয় বৃদ্ধি পাইছে। পাহাৰত নদীৰ গতিপথ ভেটি বান্ধ আৰু জলাশয় নিৰ্মাণ কৰাটোও এনে বিপৰ্যয়ৰ অন্যতম কাৰণ। শেহতীয়াকৈ পোৱা তথ্য অনুসৰি নেপালত হাজাৰ হাজাৰ ঘৰ দুৱাৰ, অট্টালিকা, সা-সম্পত্তি ধ্বংস হোৱাৰ লগতে হাজাৰো মানুহৰ মৃত্যু হৈছে। গতিকে পাহাৰত অপৰিকল্পিত নিৰ্মাণৰ ক্ষেত্ৰত বহু বেছি সতৰ্ক হোৱা প্ৰয়োজন। পাহাৰে কিন্তু মানুহৰ সীমাহীন অবিচাৰৰ উচিত আৰু নিৰ্ভুল উত্তৰ দিয়ে।

# আমাৰ মানসিকতা আৰু দুমুখীয়া


কঢ়িয়াই লৈ যায়, তেওঁলোকে ভাগৰুৱা শৰীৰেৰে মাত্ৰ ৫ বা ১০ টকা বেছি খুজিলেই আমাৰ খং চুলিৰ আগ পায়গৈ। অলপ পইচাৰ বাবে আমি ৰাজপথতে তেওঁলোকৰ লগত তীব্ৰ কাজিয়াত লিপ্ত হওঁ। একেদৰে, পদপথৰ এজন দুখীয়া পাচলি বিক্ৰেতা বা ফেৰীৱালা, যিয়ে দিনটোত মাত্ৰ ৫০-১০০ টকা লাভৰ বাবে বহি থাকে, তেওঁৰ লগত আমি পইচা পইচাকৈ হিচাপ ধৰোঁ। অনলাইনৰ হাজাৰ টকীয়া ভুৱা বস্তুটোক ক্ষমা কৰি দিয়া আমিবোৱে ঘৰৰ ওচৰৰ চিনাকী দোকানখনৰ পৰা অনা সামগ্ৰী এটাত অলপ খুঁত ওলালে গোটেই পাৰাটো কঁপাই হুলস্থুল কৰোঁ।

অথচ, এইটোৱেই আটাইতকৈ ডাঙৰ কৌতুক যে যেতিয়া আমাৰ ঘৰত কিবা বিপদ-আপদ হয়, বা গাঁৱৰ পূজা-সবাহৰ বাবে চান্দাৰ প্ৰয়োজন হয়, তেতিয়া কিন্তু আমি কোনো এয়াৰলাইনছ কোম্পানী, অনলাইন ব্ৰেণ্ড বা দামী ৰেষ্টুৰেণ্টৰ মালিকৰ ওচৰলৈ নাযাওঁ। লৰি যাওঁ ঘৰৰ ওচৰৰ সেই সৰু দোকানখনৰ গৰাকী বা সেই স্থানীয় খাটি-খোৱা মানুহখিনিৰ ওচৰলৈকে, যাক আমি সদায় দাম কমাবলৈ বাধ্য কৰোঁ।

এইয়া কেৱল পইচা খৰচ কৰাৰ পাৰ্থক্য নহয়, এয়া আমাৰ মানসিকতাৰ এক গভীৰ ব্যাধি। আমৰা ডাঙৰ কৰ্পোৰেট ব্ৰেণ্ড আৰু কৃত্ৰিম চমকৰ ওচৰত নিজকে সৰু কৰি ৰাখিছো, অথচ আমাৰ সমাজৰে আটাইতকৈ কষ্ট কৰা শ্ৰমিক শ্ৰেণীটোক তেওঁলোকৰ প্ৰাপ্য মূল্য, পৰিশ্ৰম আৰু সন্মান দিবলৈ কুণ্ঠাবোধ কৰিছো।

সমাজ পৰিৱৰ্তনৰ বাবে কোনো ডাঙৰ আন্দোলনৰ প্ৰয়োজন নাই। প্ৰয়োজন কেৱল আমাৰ বিবেকৰ জাগৰণৰ। যেতিয়ালৈকে আমি অন্ধ অনুকৰণ আৰু দেখুৱাব বিচৰা আভিজাত্য ত্যাগ কৰি এজন সাধাৰণ খেতিয়ক, পাচলি বিক্ৰেতা বা ই-ৰিক্সা, অটো চালকৰ পৰিশ্ৰমক মৰ্যাদা দিব নোৱাৰো, তেতিয়ালৈকে আমাৰ শিক্ষা আৰু সংস্কৃতি কেৱল এক আৱৰণ হৈয়েই ৰৈ যাব। আহক, বিমানৰ টিকটৰ ভিআইপি মানসিকতা ত্যাগ কৰি পদপথৰ আচল মানুহবোৰক সন্মান কৰিবলৈ শিকো।

# প্ৰতিশ্ৰুতি



**বনজিত দাস, ৰিহাবাৰী, বজালী**

নিশা চিল-মিল টোপনিতে
তুমি সপোন দেখিবা
ময়ো সপোন দেখিম
নিদ্ৰাৰ নিৰ্জন বাটত
দুয়ো দুয়োৰে আমেজ ল'ম ।
তুমিও পাহৰিবা মোক
ময়ো পাহৰিম তোমাক
তথাপি দুয়ো দুয়োৰে বাবেই
নীৰৱে সাৰ পাম
লুকাই ৰখা কথাবোৰ
ময়ো কম তোমাক
মনৰ গভীৰত সাঁচি ৰখা
নকোৱা কথাবোৰ
হাতে হাত ধৰি
কথা পাতিম অন্তৰঙ্গতাৰে
য'ত কোনো দূৰত্ব নাথাকিব
নাথাকিব পাহৰি যোৱাৰ ভয় ।
আমি বাৰু সপোন বোৰত
পূৰ্ণ সহযোগিতাৰে
এবাৰ লগ হ'ব নোৱাৰিম নে ?

ৰঙিলী বাৰ্তা কৰ্তৃক ডঃউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ডঃউদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286